# ছাংলট ফেনলা

ডেথ ভেলী
সোতৰ অক্টোবৰ, ১৯৮৯

দীঘলীয়া হুইছেলৰ শব্দত ডিগন্তই সাৰ পালে। ৰাতিপুৱা কে আই এৰ ট্ৰেইনিং আৰম্ভ হোৱাৰ সঙ্কেত ধ্বনি। চকু-মুখ মোহাৰি সি বিছনাতে উঠি বহিল। বিছনাখন কেৰ্ মেৰাই শব্দ কৰি উঠিল। বাঁহেৰে সজা চাং বিছনা। ওপৰত এটুকুৰা সৰু প্লাষ্টিক। গাত ল'বলৈ এখন নগা চাদৰ। তেনেকৈয়ে শুই আহিছে সিহঁত যোৱা দুটা বছৰ ধৰি। কেম্পত যেনিবা অলপ ভালেই। সিহঁতে যেতিয়া এঠাইৰ পৰা আন এঠাইলৈ এমাহ-ডেৰমাহ ধৰি দুৰ্গম অঞ্চলৰ মাজেৰে মাৰ্চ কৰে, তেতিয়া নিশাবোৰ হৈ পৰে আৰু কষ্টকৰ। পাহাৰ-পৰ্বত বগাই খোজকাঢ়ি যাওঁতে য'তেই সন্ধিয়া হয় তাতেই নিশাটোৰ বাবে কেম্প বহুৱায়। ওচৰে-পাজৰে শুকান গছ-পাত যি পায়, তাকে গোটাই লৈ বিছনা পাতে। তাৰ ওপৰতে এখন শুকান প্লাষ্টিক পাৰি লৈ সিহঁতে পাল পাতি শোৱে। কাচিনৰ মাটিবোৰ খুউব জেকা। বহু বছৰ ধৰি অব্যৱহৃত হোৱা হেতুকে মাটিত হালধীয়া চামনি এটা পৰে। সুদা মাটিত শুলে নানান অচিন বেমাৰ হয়। তেনেকৈয়ে বাটত সংগঠনৰ বহু ল'ৰা মৰিছে। আজিকালি সেইকাৰণে সিহঁত খুউব সাৱধান। অলপ কষ্ট কৰি হ'লেও শুকান গছ-পাত গোটাই বিছনা পাতি লয়।

বিছনাৰ পৰা উঠি দিগন্তই লুঙীখন খুলি ট্ৰেক পেণ্টটো পিন্ধি ল'লে। ঘৰৰ পৰা আহোঁতে তিনিচুকীয়াত ফুটপাথৰ পৰা সি ষোল্ল টকাৰে বাংলাদেশী ট্ৰেক পেণ্টটো কিনিছিলে। ইতিমধ্যে তপিনাত তিনিটাকৈ টাপলি পৰিছে। পিন্ধা কাপোৰ বুলিবলৈ তাৰ ইউনিফৰ্মৰ কেম'ৰফ্লেজ ড্ৰেছযোৰ আৰু ট্ৰেক পেণ্টটো। তাৰেই যোৱা দুবছৰ চলাইছে। টাপলিৰ কাৰণে এক্সট্ৰা কাপোৰ অসমৰ পৰা আহোঁতেই লৈ আহিছে। 'অসম ডাপ'ৰ কেম্প কামাণ্ডাৰ সি। নিজে মিতব্যয়ী হৈ নেদেখুৱালে নতুন সেনানীবিলাকক আদৰ্শৰ কথা ক'ব কেনেকৈ ?

বাহিৰত তেতিয়া পোহৰ হৈছে। অলপ জাৰ পৰিছে। কোনো কিন্তু সেইবুলি তেতিয়ালৈ বিছনাত পৰি থকা নাই। অসম ডাপৰ ল'ৰাখিনিয়ে সমুখৰ পথাৰখনত পি টি কৰিছে। হৰেণে কামান দিছে। ছাৰ্জেণ্ট মেজৰ হৰেণ ৰাজবংশী। ঘৰ অভয়াপুৰীত।

মাজে মাজে কামানৰ শব্দবোৰ আহি দিগন্তৰ কাণত পৰিছে। ফিল্ডৰ চাৰিওকাষে দুপ্ দুপ্‌কৈ দৌৰি থকা সেনানীবোৰক হৰেণে তাল মিলাই সুধিছে,

ফা ব' ফেনলা ?
: আমি কিহৰ সেনানী ?
ল'ৰাবোৰে ভৰিৰ খোজৰ সৈতে তাল মিলাই কৈছে,
ছাংলট্ ফেনলা।
: (আমি) বিপ্লৱৰ সেনানী।
হৰেণে আকৌ সুধিছে, ফা ব' ফেনলা ?
ল'ৰাবোৰে কৈছে, মুংছোৱা ফেনলা।
: (আমি) জনগণৰ সেনানী।

কাচিনত ভিন্ন ভাষী মানুহৰ সমাহাৰ । কিন্তু চিংফৌ জানিলেই কাম চলি যায় । অসমৰ পৰা আহিয়েই দিগন্তহঁতে এমাহৰ ভিতৰতে চিংফৌ শিকি লৈছিল ।

আজি এসপ্তাহমানৰ পৰা দিগন্তৰ অসুখ । মখলং ওলাইছে । ডেথ্ ভেলীৰ মৃত্যু বিভীষিকা মাতি আনে মখলং বেমাৰে । সিহঁতে কেম্প পাতি থকা চেকেণ্ড ব্ৰিগেডটো হুকং উপত্যকাত অৱস্থিত । অতি অস্বাস্থ্যকৰ এই উপত্যকা, বেমাৰ-আজাৰৰ সীমা-সংখ্যা নাই । দ্বিতীয় মহাসমৰৰ সময়ত অসমৰ পৰা ষ্টীলৱেল ৰোড হৈ আগুৱাই অহা ইংৰাজসকলে নাম দিছিল ‘ডেথ্ ভেলী’ বুলি । অচিন ৰোগত মিত্ৰ পক্ষৰ বহু সেনা মৰা পৰিছিল এই উপত্যকাত । তেতিয়াৰ পৰাই উপত্যকাটোত জনবসতি বুলিবলৈ তেনেকৈ প্ৰায় নায়েই । অঞ্চল একোটা যিমানে দুৰ্গম হয়, গেৰিলা বাহিনীৰ বাবে হয় সিমানে সুচল, সুগম । গতিকেই কাচিন ইণ্ডিপেণ্ডেণ্ট আৰ্মিৰ ডাঙৰ ডাঙৰ ব্ৰিগেড বহিছে এই মৃত্যু উপত্যকাত ।

মখলং ঠিক আমাৰ মেলেৰিয়া ৰোগৰ দৰে । তাতোকৈ বহু ভয়ানক । কোনো বৈজ্ঞানিক চিকিৎসা নাই এই ৰোগৰ । স্থানীয় চিকিৎসা চলে । গোটেই শৰীৰৰ মাংসপেশীবোৰ দুটা আঙুলিৰে চেপি, জোৰেৰে টানি টানি বিষাক্ত ক’লা তেজবোৰ ছালৰ তলতে জোলা বন্ধাৰ দৰে উলিয়াই লোৱা হয় । তাৰ পিছত টেমাৰ ঢাকনি বা গামোচাৰে চুচি আনি আঙুলিৰ মূৰত বেজীৰে ফুটা কৰি সেই ফুটাদিয়ে বিষাক্ত তেজবোৰ উলিয়াই আনে । ভাগ্য ভাল থাকিলে তেনেকৈয়ে ৰোগী বাচি যায় । নহ’লে মৃত্যু অনিবাৰ্য । যোৱাকালি সন্ধিয়া মৃণালে তেনেকৈয়ে মখলং টানি দিগন্তৰ গাৰ পৰা বহু বিষাক্ত তেজ উলিয়াই দিছিল । তেতিয়াৰ পৰা সি গাটো অলপ টঙাব পাৰিছে । কিন্তু এতিয়াও ভাত খাব পৰা হোৱা নাই । মৃণালে শিলেৰে চাউল পিহি সৰু সৰু সিজোৱা পিঠা বনাই দিছিলে । ৰাতি সি তাকে খালে ।

চকুৰে-মুখে অলপ পানী মাৰি দিগন্ত বাহিৰলৈ ওলাই আহিল । সৰু জুৰি এটাৰ পাৰত এঢলীয়া পাহাৰ এখনত সিহঁতৰ কেম্পটো । কেম্পৰ পৰাই গোটেই ছেকেণ্ড ব্ৰিগেডটো দেখি । কেম্প মানে সৰু সৰু বাঁহৰ ঘৰ কিছুমান । কাচিন ইণ্ডিপেণ্ডেণ্ট আৰ্মিৰ ছেকেণ্ড ব্ৰিগেডত আজি প্ৰায় এবছৰমান সিহঁতে কেম্প পাতি আছে । এটা সৰু উপত্যকাত ব্ৰিগেডটো অৱস্থিত । বিভিন্ন বিভাগবোৰ সুন্দৰ, পৰিপাটিকৈ সজোৱা । চিংফৌ ভাষাত বিভাগবোৰক কয় ডাপ্ বুলি । অসমৰ পৰা অহা সেনানী সকল থাকিবলৈ এটা সৰু টিলা । স্থানীয় মানুহে মৰমতে কয় ‘জিংখু ডাপ্’ বুলি । মিতিৰৰ কেম্প । কেম্পৰ ঘৰবোৰ সিহঁতে মিলি-জুলি সুন্দৰকৈ সজাইছে । ওচৰৰ হাবিত বাঁহ-বেত প্ৰচুৰ । মাটি কাটি ফিল্ড এখন বনাই লৈ তাৰ চাৰিওকাষে ঘৰবোৰ সাজিছে । শত্ৰুৱে বোমা-বাৰুদেৰে আক্ৰমণ কৰিলে যাতে একেলগে বেচি ক্ষতি নহয়, সেইটো নিশ্চিত কৰিবলৈ ঘৰবোৰ সাধাৰণতে ওচৰা-ওচৰকৈ নাসাজে । ডাঙৰ গছৰ তলত বা নিৰাপদ যেন লগা ঠাইত যঠেষ্ট দূৰত্বৰ ব্যৱধানত সৰু সৰুকৈ ঘৰবোৰ সজা হয় । সাধাৰণ বাঁহ-বেতেৰেই ঘৰবোৰ বৰ সুন্দৰকৈ সজা । অসম ডাপৰ সমুখতে ডাঙৰকৈ বাঁহেৰে সজা এখন তোৰণ ।

তাতেই গোবিনে বাহঁত ফুল কাটি ধুনীয়াকৈ সংগঠনৰ নামটো লিখিছে । ছেকেণ্ড ব্ৰিগেডলৈ ওচৰৰ গাঁৱৰ মানুহে ফুৰিবলৈ আহিলেই জিংখু ডাপ্ চাবলৈ আহিবই । কাচিনৰ আৰ্মিয়েও বাঁহ-বেতেৰেই ঘৰ সাজে । কিন্তু তেওঁলোকৰ কামবোৰ মিহি নহয় । ভাল ঘৰ সাজিব লাগিলে সদায়ে তেওঁলোকে অসমৰ ল’ৰাবিলাকক দিহা-পৰামৰ্শৰ বাবে মাতি নিয়ে ।

জুৰিটোৰ সিপাৰে কে আই এৰ এখন ডাঙৰ ফিল্ড । ফিল্ডৰ সোহাঁতে দীঘলীয়াকৈ আছে চিৰুংটো । চিংফৌ ভাষাত চিৰুং মানে হস্পিটেল । কে আই এৰ সামৰিক হস্পিটেল । ওচৰতে কে আই এৰ ছাৰ্জেণ্ট মেজৰৰ অফিচ । ব্ৰিগেডটোৰ দৈনন্দিন কাম-কাজ তেৰেঁই চোৱা-চিতা কৰে । প্ৰতিদিনে আবেলি তিনি বজাত তেওঁৰ অফিচত হিচাপ বহে । প্ৰত্যেক ডাগৰে মুৰব্বীবিলাক আহে । চিটুৰেচন চিগাৰ ওপৰত আলোচনা হয় । শত্ৰুৰ গতি-বিধি, ৰছদ-পাতিৰ পজিছন, পিছদিনা কৰিবলগীয়া কাম-কাজ— এইবোৰেই হৈছে তেওঁলোকৰ চিটুৰেচন চিগা । মানে, চিটুৰেচন নিউজ ।

উদ্দেশ্যবিহীনভাৱে কেম্পৰ চৌপাশে পায়চাৰি কৰি থাকি দিগন্ত এবাৰ পশ্চিমৰ একোণত থকা সৰু ঘৰটোৰ সন্মুখত ৰ’ল । এই ঘৰটোতে গৌতম আছিল । শদিয়াৰ তিতাখুৰীয়া গাঁৱৰ গৌতম সোণোৱাল । ঘৰৰ একমাত্ৰ ল’ৰা । দেউতাক প্ৰায় ছবছৰ ধৰি বিছনাত । বিয়া দিবলগীয়া দুজনীকৈ বায়েক আছে । খেতিৰ মাটি মাত্ৰ সাত বিঘা । ল’ৰাটো পঢ়া-শুনাত খুউব ভাল আছিল । মেট্ৰিকত পাছ কৰিছিল প্ৰথম বিভাগত । অঙ্কত লেটাৰ । তিনিচুকীয়া কলেজতে দিগন্তই পোন প্ৰথমবাৰৰ বাবে গৌতমক লগ পাইছিল । ল’ৰাটোৰ কিবা যেন এক মৰমলগা আকৰ্ষণ আছিল ।

পৰহি ৰাতিপুৱা দিগন্ত তেতিয়াও বিছনাত । প্ৰকাশে উধাতু খাই দৌৰি আহি খবৰ দিলে, ‘মহাশয়, আহকচোন আহক । অলপ আগতে গৌতম ঢুকাল ।’

আৰু এটা মৃত্যুৰ সংবাদ । দিগন্তই বহু সতীৰ্থৰ মৃত্যু দেখিছে যোৱা দুটা বছৰত । কেতিয়াবা বাটত খাবলৈ নাপাই ল’ৰা মৰিছে । কেতিয়াবা মৰিছে মখলঙত পৰি । বাৰ্মিজ আৰ্মিৰ আক্ৰমণতো সংগঠনৰ কেইবাজনো সদস্যৰ মৃত্যু হৈছে । বহু সদস্যৰ মৃতদেহ সৎকাৰৰ বাবেও সিহঁতে বিচাৰি উলিয়াব পৰা নাছিল । এবাৰ বাৰ্মিজ আৰ্মিৰ হাতত মৃত্যু হোৱা সতীৰ্থ এজনৰ মৃতদেহ সিহঁতে তিনিদিন পিছতহে হাবিৰ মাজত বিছাৰি পাইছিল । লিউ লিউ কৰা অজস্ৰ পোকে মুখ আৰু বুকুৰ মাংসবোৰ খাই পেলাইছিল । কি যে বীভৎস আছিল সেই দৃশ্য ! আগতে এনেদৰে সতীৰ্থ একোজনৰ মৃত্যুৱে দিগন্তৰ মন ভাৰাক্ৰান্ত কৰি তুলিছিল । তাৰ এতিয়াও মনত আছে এন এছ চি এন হেড্ কোৱাৰ্টাৰলৈ যোৱাৰ বাটত এক অচিন ৰোগত পৰি গুণজিত ৰাভাৰ মৃত্যু হোৱাৰ কথা । প্ৰথম সি দেখিছিলে, চকুৰ আগতে কেনেদৰে সংগঠনৰ সদস্য এজনক মৃত্যুদূতে কাঢ়ি নিছিলে । একো কৰিব পৰা নাছিল সিহঁতে । বহুদিনলৈকে গুণজিতৰ হাঁহিভৰা মুখখনে দিগন্তক আমনি কৰিছিল । আজিকালি কিন্তু সি এনে মৃত্যুক সহজভাৱে ল’ব পৰা হৈছে । জন্মভূমিৰ মুক্তিৰ হকে প্ৰাণ দিছে এইসকল বীৰে । বীৰৰ মৃত্যুত অশ্ৰুপাত শোভা নাপায় ।

লুঙী পিন্ধা অৱস্থাৰেই দিগন্ত দৌৰি গৈ গৌতমৰ ওচৰ পাইছিলগৈ । চিৰনিদ্ৰাত পৰি আছিল লেন্স কৰ্প’ৰেল গৌতম সোণোৱাল । মুখমণ্ডলত সেই চিনাকী হাঁহিৰ আভা । স্বাধীনতাৰ কথা ওলালেই তাৰ মুখমণ্ডলত যি আনন্দৰ ভাৱ বিৰিঙি উঠে, এতিয়াও ঠিক একেই অভিব্যক্তি । মাথোঁ কোনো প্ৰাণ নাই তাত ।

স্বদেশৰ মুক্তিৰ কাৰণে যুঁজা আৰু এজন সেনানীয়ে বিদেশ ভূমিত প্ৰাণ দিলে । কোনো ইতিহাসতে লিপিবদ্ধ নহ’ব এইসকল অখ্যাত সেনানীৰ কাহিনী ।

কে আই এৰ ছাৰ্জেণ্ট মেজৰক গৌতমক মৃত্যুৰ খবৰ দিয়া হ'ল । মৃতকৰ সৎকাৰৰ সকলো দিহা তেওঁলোকেই কৰিলে । কেম্পৰ নিলগতে গাঁত এটা খন্দা হ'ল । কফিন এটা আনিলে । কাচিনৰ অধিকাংশ লোকেই খৃষ্টিয়ান ধৰ্মাৱলম্বী । সামৰিক পদ্ধতিত মৃতকৰ সৎকাৰো সেই অনুসাৰেই হয় ।

গৌতমৰ মৃতদেহ কফিনত ভৰাই সৎকাৰ থলীলৈ লৈ যোৱা হ'ল । স্থানীয় যাজকজন আহিল । অসম ডাপৰ আটাইকেইজন সেনানী সতীৰ্থৰ প্ৰতি শেষ শ্ৰদ্ধা জনাবৰ বাবে গোট খালে । কে আই এৰ প্ৰতিনিধি দল এটাও আহিল । সামৰিক মৰ্যাদাৰে গৌতমৰ মৃতদেহ কবৰত ৰখাৰ পিছত কেম্প কামাণ্ডাৰ হিচাপে দিগন্তই ডিচ্ চাৰ্জ অৰ্ডাৰখন পঢ়ি শুনালেঃ "লেন্স কৰ্প'ৰেল গৌতম সোণোৱাল । আজি ১৯৮৯ চনৰ পোন্ধৰ অক্টোবৰ তাৰিখে আপোনাক আমাৰ সংগঠনৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হ'ল ।"

তাৰ পিছত ডিচ্ চাৰ্জ লেটাৰখন পুৰি ছাইখিনি গৌতমৰ কবৰত দিয়া হ'ল ।

আধাঘণ্টা পিছত সকলো আকৌ নিজ নিজ কামত লাগি গ'ল । মৃত্যুক সাৱটি লোৱা মুক্তি সেনানী এগৰাকীৰ প্ৰতি শ্ৰদ্ধা কামৰ মাজেৰে জনোৱাৰ নিয়ম । শোক-বেজাৰ কৰি বহি থাকি নহয় ।

গৌতমে আজি প্ৰায় এমাহ মানৰে পৰাই বেমাৰত ভুগি আছিল । ৰাণীখেত বেমাৰত পৰা মুৰ্গীটোৰ নিচিনাকৈ অনবৰতে জুপুকা মাৰি থাকে । বেমাৰৰ কথা কিন্তু সি কাকো ঘুণাক্ষৰেও জানিবলৈ দিয়া নাছিল । তাৰ ভয়, বেমাৰ বুলি জানিলে যদি তাক ট্ৰেইনিং ল'বলৈ নিদিয়ে । বহু আশা বুকুত বান্ধি সি কাচিনলৈ আহিছে । ভাল গেৰিলা যোদ্ধা এজন হৈ স্বদেশলৈ উভতি যাব । স্থানীয় ল'ৰা-ছোৱাললীক সি গেৰিলা যুদ্ধৰ প্ৰশিক্ষণ দিব । আৰু তেনেকৈয়ে এদিন এখন শক্তিশালী সংগ্ৰামৰ আধাৰ গঠন হ'ব । গতিকেই সি বেমাৰৰ কথা কাকো নোকোৱাকৈ লুকুৱাই ৰাখিছিল । কিন্তু বৰ বেছিদিনলৈ নোৱাৰিলে । এদিন ৰাতিপুৱা ট্ৰেইনিং কৰি থাকোতেই সি ধাচ্কে মাটিত বাগৰি পৰিল । মুখেৰে ফেন ওলাবলৈ ধৰিলে । দুজনমানে দাঙি ধৰি তাক চিৰুঙলৈ নিলে । ডাক্তৰে প্ৰথমতে ভাগৰতে মূৰ্চা যোৱা বুলি ভাবি ভিটামিন ইনজেকচন এটা দি দিনটোৰ বাবে ৰেষ্ট ল'বলৈ ক'লে । আবেলিহে হৰেণে আবিষ্কাৰ কৰিলে যে, গৌতমৰ এনাচ্ মখলং হৈছে । মখলং বেমাৰৰ শেষ পৰ্যায় । গুহ্যদ্বাৰৰ ভিতৰ পিনে সৰু সৰু পানীজোলা বান্ধে । ৰোগীয়ে গমকে নাপায় । জুকুপা লাগি বহি থাকে । মাজে মাজে ভ্ৰম বকে আৰু তেনেকৈয়ে ক'ব নোৱাৰাকৈ মানুহটো মৰি থাকে । সেইদিনা সন্ধিয়াই গৌতমৰ চিকিৎসা আৰম্ভ হ'ল । চিকিৎসা মানে কোনো ডাক্তৰী চিকিৎসা নহয় । কেম্পত প্ৰতিজন সেনানীয়েই নিজে নিজৰ চিকিৎসা কৰে । নিজে চেলাইন লয়, নিজে ইনজেকচন পুচ কৰে । দুজন ল'ৰাই গৌতমক আগপিনে হলাই দি ভৰি দুখন মেলি জোৰেৰে ধৰি থাকিম । হৰেণে হাত দুখন ভালদৰে ধুই আহি মধ্যমা আঙুলিটো গৌতমৰ গুহ্যদ্বাৰেদি সুমুৱাই দি সৰু সৰু পানীজোলাবোৰ এটা এটাকৈ পিটিকি পিটিকি ভাঙি দিলে । বিষাক্ত ৰস কিছুমান ওলাই আহিল । এজনে সৰু বড়ি এটা গুৰি কৰি পাউদাৰৰ নিচিনাকৈ ছটিয়াই দিলে । গৌতম তেনেকৈয়ে চিত হৈ নিশাটো বিছনাত পৰি থাকিল । কাচিনত এনাচ্ মখলঙৰ এয়াই চিকিৎসা ।

গৌতম কিন্তু আৰোগ্য নহ'ল । তাৰ ৰোগ বহু দেৰিকৈ ধৰা পৰিছিল । দিনক দিনে সি আৰু দুৰ্বল হৈ আহিবলৈ ধৰিলে । ভাত খাব নোৱাৰে । দৰব-পাতিও তেনেকৈ দিব পৰা নাই । দুবছৰ আগেয়ে অসমৰ পৰা অহাৰ সময়ত যিখিনি দৰব কঢ়িয়াই আনিছিল, সেয়াই মেডিচিন ষ্টক । তাৰে আধা-আধি ইতিমধ্যেই শেষ হৈছে । বাকীখিনিৰে আৰু কিমান দিন চলিবলগীয়া হ'ব তাৰো কোনো ঠিক নাই । গতিকে সিহঁতে খুউব জুখি-মাখিহে দৰব ব্যৱহাৰ কৰে । তিনিদিনমান আগেয়ে গৌতমৰ অৱস্থা বেয়ালৈ যোৱা যেন দেখি দিগন্তই ডেকাডোৰাবলিন এটা দিব খুজিছিল । যঠেষ্ট দামী ভিটামিন ইনজেকচন । একোটাৰ দাম প্ৰায় পঞ্চাশ টকাকৈ । ষ্টকত আছিল মাত্ৰ ছটামানহে । গৌটতমেই পিছে বাধা দিলে, ‘নালাগে দিয়ক । পিছত কামত আহিব ।’ দিগন্তয়ো জোৰ নকৰিলে ।

গৌতমে হয়তো জানিছিলেই যে তাৰ আয়ুস বেছিদিন নাই । সেয়েহে ভিটামিন ইনজেকচন এটা সি অবাবতে নষ্ট কৰিব খোজা নাছিল । সতীৰ্থসকলৰ ভৱিষ্যত প্ৰয়োজনৰ কাৰণে জমা কৰি থৈ গ'ল । মিতব্যয়িতাৰ ক্ষেত্ৰত গৌতম আছিল সদায়ে সজাগ । এবাৰ সি নতুনকৈ অহা নতুনকৈ অহা সদস্য এজনক ফাটি যোৱা চাৰ্টটো চিলাই নোলোৱাৰ বাবে শাস্তি বিহিছিল; বেচিকৈ ফাটিলে সংগঠনৰ সীমিত পুঁজিৰ পৰা নতুন চোলা কিনিবলৈ পইচা দিবলগীয়া হয় বুলি ।

গৌতমক সংগঠনলৈ আনিছিল দিগন্তই নিজে । পাহাৰলৈ অহাৰ দিনা ঘৰত মাত লগাবৰ সময়ত দিগন্তও আছিল । সি গৌতমৰ মাকক সেৱা এটা কৰি কৈছিল, ‘খুৰীদেউ, আপোনাৰ ল'ৰাক দেশৰ কাৰণে নিলোঁ । আপোনালোকে অকণো চিন্তা নকৰিব । সি আমাৰ লগতে থাকিব।’ মাকে দুয়োৰে মূৰত হাত বুলাই কৈছিল, ‘দেশৰ কাৰণে গৈছ যেতিয়া আমি একো চিন্তা নকৰোঁ । তহঁতি মাত্ৰ ৰাইজৰ বেয়া হোৱা কাম কেতিয়াও নকৰিবি ।’

গৌতমৰ মাকৰ সহজ-সৰল মুখখন দিগন্তৰ মনৰ পৰ্দাত ভাহি উঠিল । এইবাৰ উভতি গৈ আৰু এগৰাকী মাতৃক পুত্ৰৰ মৃত্যুৰ সংবাদ দিব লাগিব । কি যে এক গধুৰ দায়িত্ব !

জোতাৰ গিৰিপ্ গাৰাপ্ শব্দত দিগন্তই সম্বিত ঘূৰাই পালে । ল'ৰাবোৰে পিটি শেষ কৰি কেম্পলৈ উভতিছে । দিগন্তও নিজ কোঠালৈ উভতি আহিল । দহ মিনিটমান সি এনেয়ে কোঠাৰ ভিতৰতে পায়চাৰি কৰি থাকিল । ভাল নালাগিল । একো নকৰাকৈ থাকি বেমাৰক অধিক প্ৰশ্ৰয় দিয়া যেনহে লাগিল । সি ইউনিফৰ্মৰ চোলাটো গাত সুমুৱালে । তাৰ পিছত জোতাযোৰ পিন্ধিলে । যোৱা বছৰ থাৰ্টিন বেটেলিয়ানৰ ওচৰত বাৰ্মিজ আৰ্মিৰ এমবুশ্বত ইব্ৰাহিম মৰা পৰোতে দিগন্তই তাৰ জোতাযোৰ খুলি লৈ আহিছিল । কাচিনত জোটা দুষ্প্ৰাপ্য । জোতা নিপিন্ধাকৈ পাহাৰ-জঙ্গলত খোজ কাঢ়িবও নোৱাৰি । গতিকে মৃতকৰ স্মৃতিক লৈ আবেগিক হোৱাৰ কোনো কাৰণ দেখা নাছিল দিগন্তই। সি প্ৰথম আহোতে পিন্ধি অহা জোতাযোৰ ছমাহমান আগতে ফাটি চিৰাচিৰ হ'ল । আজিকালি সেইকাৰণে ইব্ৰাহিমৰ জোতাযোৰকে পিন্ধে ।

যুদ্ধ ক্ষেত্ৰত মৃত্যু হোৱা সতীৰ্থ এজনৰ ত্যাগৰ স্মৃতি জীয়াই ৰখাৰ যেন আন এক উপায় ।

বাহিৰলৈ ওলাই আহি হৰেণক মাতিলে । দুটামান কাম গতাই দিলে । তাৰ পিছত লাহে-ধীৰে

উদ্দশ্যবিহীনভাৱেই কেম্পৰ বাহিৰলৈ ওলাই গ'ল । আজি সি অলপ দীঘলীয়াকৈ খোজ কাঢ়িব । গেৰিলা যোদ্ধাৰ ভৰি দুখনেই হৈছে প্ৰধান সম্বল । ভৰি দুখন সবল কৰি ৰাখিব পাৰিলে আন আৰু একোলৈ ভয় নাই ।

অসম ডাপৰ সমুখৰ জুৰিটো সি জাপ মাৰি পাৰ হ'ল । বাটতে কে আই এৰ ছেকেণ্ড লেফ টেনেণ্ট এজনক পালে । দিগন্তলৈ হাঁহি এটা মাৰি সুধিলে,

ক্ৰা দে ছানা ?
: ক'লৈ যাৱ ?
দিগন্তয়ো হাঁহি মাৰি উত্তৰ দিলে,
মেৰে দে খাম্ না ।
: গাঁও ফুৰিবলৈ যাওঁ ।

ইয়াৰ গাঁও মানে চাৰি-পাঁচটা পৰিয়ালৰ একোটা গোট । ঘৰবোৰ অস্থায়ী । কেতিয়া বাৰ্মিজ আৰ্মিৰ আক্ৰমণত পলাবলগীয়া হয়, তাৰ নাই ঠিক । দুই-চাৰি ঘণ্টা খোজ কাঢ়ি আৰু এখন গাঁও । একেই চাৰি-পাঁচটা ঘৰ । জনবসতি তেনেই সেৰেঙা । খেতিৰ মাটি প্ৰচুৰ । যাক যিমান মাটি লাগে, হাবি জ্বলাই খেতি কৰি গ'লেই হ'ল । মাটি বৰ সাৰুৱা । অকণো কষ্ট কৰিব নালাগে । হাবি কাটি, জ্বলাই বাঁহৰ একোদাল জোং লৈ গোজ মাৰি ধান সিঁচি দিয়ে । তেনেকৈয়ে লহ্পহীয়াকৈ ধানগছ গজি উঠে । মানুহবোৰে ধান আৰু কানিৰ খেতি কৰে । সপ্তাহত দুবাৰকৈ ওচৰৰ বেপাৰীবিলাক আহে । সিহঁতে কানি কিনি নি ফাকান্ চহৰত বিক্ৰী কৰে । ফাকান চহৰ ডেথ্ ভেলীৰ ডাঙৰ ব্যৱসায় কেন্দ্ৰ । জেড্ পাথৰ, সোণ, কানি, কিনিবলৈ চীনদেশ, থাইলেণ্ডৰ পৰা ব্যৱসায়ী আহে । বয়-বস্তুৰ খুউব দাম । একাপ চাউলৰ দাম পঁশিচ কিয়াত্ । কিয়াত্ হৈছে বাৰ্মিজ মুদ্ৰা । এক কিয়াতৰ মূল্য আমাৰ পঞ্চাশ পইচাৰ সমান হ'ব ।

থিয় পাহাৰ এখন বগাই সিপাৰে দিগন্তই দ মাটিৰ খেতি পথাৰ এখন দেখা পালে । এইপিনে সি আগতে অহা নাই । পুৰুষ-মাহিলা এহালে পথাৰত কাম কৰি আছে । মতা মানুহজনে হাতী এটাৰ পিঠিত তিনিখন নাঙল জুৰি দি হাল বাইছে । মাইকী মানুহজনীয়ে পিছে পিছে ধান সিঁচি গৈছে । ইয়াত হাতীৰ ব্যৱহাৰেই সৰ্বাধিক । হাল বোৱাৰ পৰা আৰম্ভ কৰি মানুহ, বয়-বস্তু কঢ়িওৱালৈকে । কে আই এৰ এটা ডাঙৰ এলিফেণ্ট ব্ৰিগেডেই আছে । আৰ্মিৰ ডাঙৰ ডাঙৰ অফিচাৰবিলাকৰ ব্যক্তিগত হাতী থাকে । গাড়ী তাত নচলে ।

পথাৰখনৰ পাৰতে গছ এজোপাৰ ছাঁত দিগন্ত বহিল । তাক দেখি মাইকী মানুহজনীয়ে দূৰৈৰ পৰাই ৰিং মাৰি সুধিলে,

নাং ন্নান্ ই?
: তই নতুন মানুহ নেকি?
দিগন্তই উত্তৰ দিবলৈ নাপালেই । মতা মানুহজনেই সি শুনাকৈ মাত লগালে,
ইন্ ৰে । জিংখু আছাম মিনাংনি চা আই ।
: নহয় । আমাৰ মিতিৰ, অসমৰ পৰা অহা বন্ধু ।

মানুহজনে তাৰমানে তাক চিনি পায় । দিগন্তই মনত পেলাবলৈ চেষ্টা কৰিলে, মানুহজনক বাৰু সি আগতে ক'ত লগ পাইছিল?

মানুহজনলৈ দিগন্তই আকৌ এবাৰ ভালদৰে চালে । এইবাৰ সি চিনি পালে । সংগঠনৰ প্ৰতিষ্ঠা দিৱসৰ দিনা মানুহজনে অসম ডাপলৈ আহি বহু নিশালৈ নাচ-গান কৰিছিল ।

স্থানীয় মানুহখিনিৰ অসমৰ প্ৰতি এক বিশেষ দুৰ্বলতাৰ ভাব আছে । মাতে অতি আপোন ভাবেৰে মিতিৰ বুলি । অসম ডাপত কিবা এটা প'য়্ হ'লেই গোটেই ওচৰৰ মানুহবিলাক আহি ওলায় । প'য়্ মানে উৎসৱ । কাচিনৰ মানুহখিনিয়ে একগোট হোৱাৰ কিবা সুবিধা পালেই একোটা প'য়্ পাতে । যুদ্ধকো আনকি তেওঁলোকে প'য়্ বুলিয়ে লয় । গাছাত প'য়্ । আৰু জিংখু আছামৰ প'য়্ হ'লেতো কথাই নাই । আগদিনা চিটুৰেচন চিগাৰ আলোচনা কৰোতে ছাৰ্জেণ্ট মেজৰে সকলোকে কৈ দিব, অহাকাইলৈ অসম ডাপত প'য়্ আছে । বচ্ । আৰু কোনো কথা নাই । পিছদিনা পুৱাই প্ৰত্যেক ডাপৰ পৰা পাঁচ-ছজনলৈ মানুহ আহি ওলাব । প'য়ৰ কামত লাগি-ভাগি দিবৰ বাবে । কোনোবাই ভাত ৰান্ধিব, কোনোবাই ম'হ মাৰি মাংস ৰান্ধিব । কোনোবাই আকৌ মদৰ ব্যৱস্থা কৰিব । বিৰাট ডাঙৰ কাৰুকাৰ্য । আবেলি হোৱাৰ লগে লগে মানুহবোৰ গোট খাব । ওচৰৰ মেৰেবিলাকৰ পৰাও মানুহ আহে । কোনোবাই নাচ-গান কৰিছে, কোনোবাই হেপাহ পলুৱাই মদে-ভাতে খাইছে, এক স্থলস্থুলীয়া কাৰবাৰ । কাচিনত প'য়্ মানে মদ লাগিবই । আৰম্ভনিতে অসমৰ ল'ৰাবিলাককো মদ যাচিছিল । নাখালে বেয়া পায় । পিছলৈ অৱশ্যে সংগঠনৰ নীতি-নিয়মৰ কথা জানি জোৰ নকৰা হ'ল ।

এইবাৰ অসম ডাপত সিহঁতে সংগঠনৰ প্ৰতিষ্ঠা দিৱস খুউব ডাঙৰকৈ পাতিছিল । পতাৰ কথাও । চেয়াৰমেন চাৰ প্ৰথম কে আই এৰ জি এইচ কিউৰ পৰা অসমলৈ উভতি অহাৰ পথত ছেকেণ্ড ব্ৰিগেডত সোমাইছে । অসমৰ পৰা আকৌ নতুন ট্ৰুপ এটা লৈ আহিছে চি ইন চি চাৰে । সকলোৰে বহুদিনৰ মূৰত দেখা-দেখি । খুউব ফুৰ্তি । চেয়াৰমেন চাৰ আহিছে ফুল ইউনিফৰ্মত । কঁকালৰ সোঁপিনে এটা অলেট । আনপিনে এটা ধুনীয়া হেঙ্ক' । পিঠিত ক্ৰছকৈ বন্ধা আছে দীঘলীয়া সৰু ৰাইচ বেগটো । গেৰিলা যোদ্ধা এজনৰ লগত যিখিনি ইকুইপ্মেণ্ট লাগে, সকলো আছে । চীনদেশৰ পৰা আনিছে বহুতো অত্যাধুনিক অস্ত্ৰ । চেয়াৰমেন চাৰৰ ট্ৰুপটো দেখি দিগন্তহঁত আনন্দতে আত্মহাৰা হৈ পৰিল । স্বাধীনতা যেন সিহঁতে পালেই ! ঠিক তেনেকুৱা আনন্দ । সেই ফুৰ্তিতে সিহঁতে সংগঠনৰ প্ৰতিষ্ঠা দিৱস দুদিনীয়াকৈ পাতিছিল । খেলা-ধূলা, ৰং-ৰহইচ,—বিৰাট ডাঙৰ এক কাৰবাৰ । এই মানুহজনক দিগন্তই তাতেই লগ পোৱা মনত পৰিল ।

মানুহগৰাকীয়ে আকৌ ৰিং মাৰি সুধিলে,

গলৈ ছাংলট লুনা ?
: তহঁতৰ স্বাধীনতা কেতিয়া আহিব অ' ?
দিগন্তয়ো হাঁহি এটা মাৰি উত্তৰ দিলে,
ছাংলট নী চাই !
: স্বাধীনতা আহি আছে !

স্বাধীনতা। কি যে এক মধুৰ শব্দ ! তাৰেই আকৰ্ষণত দিগন্তহঁত পৰিয়াল, সমাজ সকলো এৰি ওলাই আহিছে এক দুৰ্গম দেশলৈ। জীৱনৰ কোনো নিশ্চয়তা নাই। মৃত্যু হয়গৈ কেৱল একোটা সাধাৰণ বাতৰি। কিন্তু তথাপিতো ল'ৰা আহে। মাত্ৰ এটা শব্দই দেখুওৱা সপোন খেদি।

ইয়াৰ সাধাৰণ মানুহখিনিয়ে কে আই এৰ আৰ্মিবিলাকৰ মুখত শুনি আহিছে, ছাংলট নী চাই ! কিন্তু ছাংলট মানেনো কি, প্ৰায়ভাগৰে স্পষ্ট ধাৰণা নাই। অসমৰ গাঁৱত লাইট জ্বলে বুলি শুনিলে সিহঁতে ওলোটাই দিগন্তহঁতক আচৰিত হৈ সোধে, তহঁতি দেখোন ছাংলট কেতিয়াবাই পালি। আৰু কি ছাংলট লাগে তহঁতক ?

ইষ্টাৰ্ণ নাগালেণ্ডৰ পাংমী নাগাবিলাক আৰু সহজ-সৰল । গৰমেন ডিউটি বুলি বিপ্লৱী সেনাবিলাকক বাটত সকলো ধৰণৰ সহায় কৰে। এন এছ চি এনৰ সদস্যবিলাকে আশ্বাস দিয়ে, ইণ্ডিপেণ্ডেঞ্চ আহি আছে বুলি। একো বুজি নাপায় সিহঁতে।

কেতিয়াবা পাংমী গাঁৱত আশ্ৰয় লোৱাৰ সময়ত মানুহবোৰে দিগন্তহঁতক সোধে,

: চাথীখান, ইণ্ডিপিটিটো কেতিয়া পাব ? ইমান চাল লড়াই কৰিছে। চবদিন শুনি হে থাকিছে। ইণ্ডিপিটি কেতিয়া আহিব অ'?

দিগন্তহঁতে মানুহবোৰক পিঠিত চপৰিয়াই বুজায়, 'অই চাথী। মন দুখ নকৰিবি। মন তাকত্ কৰিবলৈ আছে।'

কেতিয়াবা আকৌ ধেমালী কৰি কয়, 'ইণ্ডপিটিটো বৰ্ডাৰৰ নীচতে লংবাটত পহুচিছে। চিটুৱেচন বেয়া নিমিত্তে আহিব পৰিয়া নাই।'

তাতেই সন্তুষ্ট হয় সহজ-সৰল মানুহবিলাক। ইণ্ডিপেণ্ডেঞ্চ বোলা বস্তুটো ইতিমধ্যে ব'ৰ্ডাৰ পাৰ হৈছে। চিটুৱেচন ভাল হ'লেই সিহঁতৰ গাঁও পাবহি। আৰু তাৰেই আশাত সহায় কৰি যায় সেই অঞ্চলেৰে পাৰ হোৱা বিপ্লৱী বাহিনী সদস্যসকলক।

অলপ সময়ৰ পিছতে মানুহজনে হাল সামৰিলে। কাচিনৰ মানুহবিলাকে বৰ বেছি সময় খেতি পথাৰত কাম নকৰে। খুউব বেছি ডেৰ বা দুঘণ্টা। মাটি ইমান উৰ্বৰা যে, বেছি সময় কাম কৰাৰ প্ৰয়োজনো তেনেকৈ নহয়। মাইকী মানুহবিলাক সাধাৰণতেই বৰ ধুনীয়া। যঠেষ্ট প্ৰসাধনৰ সামগ্ৰী ব্যৱহাৰ কৰে। পিন্ধনত আমাৰ মিজো ছোৱালীবিলাকৰ নিচিনা ড্ৰেছ। আজিকালি অৱশ্যে যঠেষ্ট আধুনিক হৈছে। কেতিয়াবা দিগন্তহঁতে দুৰ্গম পাহাৰৰ মাজতো নৈত সোণ বিচাৰিবলৈ যোৱা ছোৱালীৰ জুম পায়। জীনছ্ পেণ্ট, চেম্পু কৰা চুলি, ওঁঠত টিকটিকিয়া লিপ্‌ষ্টিকৰ ৰং । নিৰ্ভয়ে ঘূৰি ফুৰে দুৰ্গম অঞ্চলত । জিংখু বুলি চিনি পালে সিহঁতক ভালদৰে মাত লগায়। অসমৰ পৰা অহা ল'ৰাই মাইকী মানুহক বেয়া ব্যৱহাৰ নকৰে বুলি সুনাম আছে। মদ আৰু মাইকী মানুহৰ বিষয়ত দিগন্তহঁতে ল'ৰাবিলাকক প্ৰথম দিনাই সতৰ্ক কৰি দিয়ে। অসমৰ ল'ৰাৰ কোনো বদনাম সহ্য কৰা নহ'ব। এবাৰ সংগঠনৰ ল'ৰা

এজনে থার্টিন বেটেলিয়ানত হোৱা খুংগ্ৰান্ প'য়্ত ছোৱালী এজনলৈ অশালীন মন্তব্য কৰাৰ অপৰাধত শাস্তি বিহা হৈছিল । মাইকী মানুহবিলাকেও সেইকাৰণে অসমৰ পৰা অহা ল'ৰাক ভাল চকুৰে চায় ।

মাইকী মানুহজনীয়ে বেগৰ পৰা লিপ্‌ষ্টিক এডাল আৰু সৰু আৰ্চী এখন উলিয়াই ওঁঠত ৰং সানিবলৈ ধৰিলে । কাচিনৰ বাটে-পথে এইটো এটা সাধাৰণ দৃশ্য । অলপ পিছত মতা মানুহজনে আৰ্চীত চাই মূৰৰ চুলিখিনি ঠিক কৰি থাকিয়েই দিন্তক সুধিলে,

: নাংনা মি্ ফা ব'?
: তোৰ নাম কি?
: 'ঙাইনা মিং দিগন্ত ।' সি উত্তৰ দিলে ।
মাইকী মানুহজনীয়ে তাৰ নামটো অলপ আচহুৱা যেন পাই মুখত এবাৰ আওৱালে । তাৰ পিছত আকৌ সুধিলে,
: নুম্ লা চাই ই?
: বিয়া কৰাইছানে ?
দিগন্তই মূৰ জোকাৰিলে, ঙ্‌ঙুট্ চাই ।
: নাই কৰোৱা ।
এইবাৰ মতা মানুহজনে সুধিলে,
: ফা ব' কিচা ?
দিগন্তই এনেয়ে উত্তৰ দিলে, 'মৰীপ কিচা ।'

মাইকী মানুহজনীয়ে তালৈ চাই ধুনীয়াকৈ হাঁহি এটা মাৰিলে । হয়তো তায়ো একেই কিচাৰ ।

আমাৰ গোত্ৰৰ নিচিনাকৈ কাচিনৰ মানুহবিলাকো বিভিন্ন কিচাত বিভক্ত । মৰীপ, মাৰাণ, লাফাই আদি সাতটা কিচা তেওঁলোকৰ । একে কিচাৰ মাজত বিয়া-বাৰু নহয় । যিমানেই দূৰৈৰ নহওক, একে কিচাৰ ল'ৰা-ছোৱালীৰ মাজত ককাই-ভনীৰ সম্পৰ্ক । কাচিনত কাৰোবাৰ সৈতে পৰিচয় হ'লেই নাম সোধাৰ পিছত কিচাৰ কথা সোধে । দিগন্তইঁতেও ঘৰুৱা হ'বৰ বাবে এটা কিচাৰ নাম কৈ দিয়ে । মানুহবিলাকে খুউব ভাল পায় । ইমান দূৰৈৰ অসমতো তেওঁলোকৰ কিচাৰ মানুহ থকা বুলি । একে কিচাৰ মানুহক সম্পূৰ্ণ অচিনাকী হ'লেও পৰিয়ালৰ এজন হিচাপেই ব্যৱহাৰ কৰে । এবাৰ দিগন্তই তেনেকৈ ছেকেণ্ড ব্ৰিগেডৰ সৈনিক ছোৱালী এজনীৰ কাকয়েক হিচাপে দায়িত্ব পালন কৰিবলগীয়া হৈছিল । ছোৱালীজনীৰ নাম আছিল খনমাই । মৰীপ কিচাৰ । তাইৰ বিয়াৰ পিছত ঘৰৰ পৰা প্ৰথম মিতিৰ আহিছে । মিতিৰ আদৰিবলৈ একে কিচাৰ মানুহ লগে । উপায় নাপাই দিগন্তয়ে ককায়েক হিচাপে মিতিৰ আদৰিলে । বিৰাট ডাঙৰ এক কাৰবাৰ । মিতিৰৰ ঘৰৰ পৰা হোৰাত গাখীৰ, লাওপানী আৰু বহু বয়-বস্তুৰ সম্ভাৰ আহিছে । পৰিয়ালৰ হৈ দিগন্তই ৰীতি-নিয়ম অনুসাৰে সেইবোৰ গ্ৰহণ কৰিলে । সম্পৰ্কৰ চিন হিচাপে তাক মিতিৰৰ ঘৰৰ পৰা অহা বয়োজ্যেষ্ঠজনে ৰূপৰ খাপ্ থাকা দীঘল ইনথু এখন উপহাৰ দিলে । আমাৰ নগা দাখনৰ নিচিনা । তাকে লৈ সন্ধিয়া অসম ডাপত আৰু এক ডাঙৰ প'য়্ ।

দিগন্তই মানুহহালৰো পৰিচয় ল'লে । মানুহজনৰ নাম ব্ৰাংমা । মাইকী মানুহজনীৰ নাম চেংমাই । ল'ৰা তিনিটা আছিল । তাৰে দুটা মৰিছে । এটা বাৰ্মিজ আৰ্মিৰ আক্ৰমণত । আনটো মখলঙত

পৰি। সৰুটো ল'ৰা আৰ্মিত আছে। জি এইচ কিউত পষ্টিং। আৰ্মি মানে কে আই এৰ সেনা বাহিনী। কে আই এৰ ৰিক্রিউটমেণ্ট বৰ আচৰিত ধৰণৰ। খুউব কমসংখ্যক ল'ৰা-ছোৱালীহে স্বেচ্ছাৰে বিপ্লৱ কৰিবলৈ আহে। অধিকংশকে আৰ্মিয়ে ধৰি লৈ আহে। নিৰ্দিষ্ট সময়ত ডাঙৰ ডাঙৰ ট্ৰুপ একোটা ল'ৰা ধৰিবলৈ ওলাই যায়। কেতিয়াবা তেওঁলোকে ডিউটি হিচাপে অসম ডাপৰ ল'ৰাকো লগত লৈ যায়। গাঁৱে-চহৰে যি পাৰে, ল'ৰা ধৰি লৈ যায়। সেয়াই কে আই এৰ ৰিক্রিউটমেণ্ট। তেওঁলোকৰ চেয়াৰমেনজনকো আনকি তেনেকৈয়ে ধৰি অনা। আগতে তেওঁ গাঁৱৰ প্ৰাইমাৰী স্কুল এখনত শিক্ষকতা কৰিছিল। প্ৰথম অৱস্থাত ধৰি অনা ল'ৰাবিলাকে অলপ কন্দা-কটা লগায়। দুদিনমান পিছতে কিন্তু ঠিক হৈ যায়।

মানুহহালে দিগন্তক সিহঁতৰ ঘৰলৈ মাতিলে। দিগন্তয়ো আপত্তি নকৰিলে। জিংখু অসমৰ ফেনলা বুলিলে স্থানীয় মানুহে খুউব আদৰ কৰে। কে আইৰ এৰ সেনাবিলাক সাধাৰণতে অলপ ৰূঢ় হয়। মাৰ্চ কৰিব যাওঁতে মেৰেবিলাকত সোমাই যাৰ ঘৰত যি পায়, কাকো নোসোধাকৈ মহতিয়াই যায়। আটাইবোৰ ঘৰেই যেন নিজৰহে ঘৰ। কেতিয়াবা মদৰ নিচাত মাইকী মানুহক বেয়া ব্যৱহাৰো কৰে। অসমৰ পৰা অহা ল'ৰা বিলাক কিন্তু কঠোৰ অনুশাসনৰ মাজত থাকে। গাঁৱৰ মানুহক তেনেকৈ ডকা-হকা নিদিয়ে। দীঘলীয়া মাৰ্চত গ'লে বাটত ভোক লাগিলেও খুজিহে খায়। আৰু সেইবাবেই, ভিতৰৰ গাঁওবিলাকত অসমৰ ফেন্লা বুলিলে খুউব মৰম কৰে। সিহঁতক জিংখু বুলি মাতিলে দিগন্তহঁতেও বৰ আনন্দ পায়।

আধাঘণ্টামান পাহাৰীয়া পথেৰে খোজ কাঢ়ি তিনিও ব্ৰাংমাহঁতৰ ঘৰ পালেহি। আগে আগে হালোৱা হাতীটো। ব্ৰাংমাহঁতৰ ঘৰটো এটা সৰু টিলাৰ ওপৰত। বাঁহেৰে সজা চাংঘৰ। তেওঁলোকে ইনটা বুলি কয়। অলপ দূৰত্বৰ ব্যৱধানত আৰু চাৰিটামান ঘৰ। সেয়াই এখন মেৰে।

চেংমাইৰ পিছে পিছে দিগন্তও চাংঘৰটোলৈ উঠি গ'ল। তলত দুটা গৰু বান্ধি থোৱা আছে। ইয়াৰ মানুহবোৰে গৰু অৱশ্যে কামত লগাবৰ বাবে নোপোহে। মাংস হিচাপেহে গৰুৰ ব্যৱহাৰ। কোনোবাই গৰুৰ গাখীৰ খোৱাও দিগন্তহঁতে আজিলৈকে দেখা নাই। গৰুৰ গাখীৰ খালে মখলং বেছিকৈ ওলায় বুলি মানুহখিনিয়ে বিশ্বাস কৰে।

চেংমায়ে দুৱাৰৰ ডাংপাত খুলি তাক মানাম্ ডাপলৈ লৈ গ'ল। আমাৰ চ'ৰা ঘৰৰ নিচিনা। বাঁহৰ ঢাৰি এখন পাৰি তাক তাতে বহিবলৈ দিলে। ব্ৰাংমাও আহি তাৰ লগতে বহিল। দিগন্তই মানাম্ ডাপটো ভালদৰে চালে। একোণত বাহঁৰে সজা এখন ডাইনিং টেবুল। টেবুলতে বাঁহৰ চুঙা এটাত ষ্টীলৰ চামুচ তিনিখন খুউব আটোম-টোকাৰিকৈ সজাই থোৱা আছে। ইয়াৰ মানুহৰ বাবে ষ্টীলৰ বাচন খুউব দুষ্প্ৰাপ্য। অসমৰ ল'ৰা কিছুমানে লগত অনা ষ্টীলৰ থাল-গিলাচবিলাককে তেওঁলোকে খুউব পিটিকি পিটিকি চায়। ছেকেণ্ড ব্ৰিগেডলৈ অহাৰ পথত আশ্ৰয় লোৱা গাঁও এখনত গৌতমে তাৰ ষ্টীলৰ গিলাচটো বৃদ্ধা মানুহ এজনীক উপহাৰ দিছিলে। গিলাচটো পাই মানুহজনীৰ কি যে ফূৰ্টি! তাই দৌৰি গৈ জীয়েকক গিলাচটো দেখুৱাইছিলে।

সমুখৰ বেৰখনত আৰ্মি কেপ এটা ওলোমাই থোৱা আছে। ব্ৰাংমাই ক'লে, সিহঁতৰ ডাঙৰ পুতেকৰ কেপ। দুবছৰ আগত বাৰ্মিজ আৰ্মিৰ আক্ৰমণত ধৰা পৰিছে। বাৰ্মিজ আৰ্মিৰ হাতত পৰিয়ালৰ দুই-এজনৰ মৃত্যু হোৱাটো ইয়াত একেবাৰেই সাধাৰণ কথা। খুউব দুৰ্দ্ধৰ্ষ আৰু পাকৈত বাৰ্মিজ আৰ্মি। পাহাৰীয়া অটব্য অৰণ্যতো সিহঁতৰ তৎপৰতা দেখিলে আচৰিত হ'ব লাগে। সাধাৰণতে কাচিনৰ নগৰবিলাকত বাৰ্মিজ আৰ্মিয়ে ছাউনী পাতে। সুবিধা পালেই সিহঁতে ভিতৰুৱা অঞ্চলত থকা কে আই এৰ কেম্প আৰু আৰু চুবুৰীয়া মেৰেবিলাকত আক্ৰমণ কৰে। কে আই এও সহজে এৰি দিয়া ভকত নহয়। বাৰ্মিজ আৰ্মিক অলপমান

অসতর্ক মুহূর্তত পালেই এম্বুছ কৰে। দিগন্তহঁতেও কেইবাবাৰো কে আই এৰ হৈ বাৰ্মিজ আৰ্মিৰ লগত যুদ্ধ কৰিছে । এবাৰটো কথমপিহে তাৰ জীৱন ৰক্ষা পৰিছিল । সেই দিনটোৰ কথা দিগন্তৰ এতিয়াও ভালদৰে মনত আছে । সেইদিনা আগবেলাৰ ট্ৰেইনিং শেষ কৰি দুপৰীয়া নিজ নিজ কেম্পত জিৰণি লৈ আছে । এঘণ্টা জিৰণিৰ পিছতেই দিগন্তই পলিটিকেল ক্লাছ এটা ল'ব । এনেটে ওচৰৰ মেৰে এখনৰ বুঢ়ী এজনীয়ে দৌৰি আহি খবৰ দিলেহি যে, বাৰ্মিজ আৰ্মিৰ স্পেচিয়েল কমাণ্ডো ফ'ৰ্চে ছেকেণ্ড ব্ৰিগেডৰ হেড কোৱাৰ্টাৰটো প্ৰায় দুপিনৰ পৰা ঘেৰি পেলাইছে । সিহঁতে প্ৰথমে বুঢ়ীৰ কথা বিশ্বাস কৰা নাছিল । আগদিনা ছাৰ্জেণ্ট মেজৰৰ অফিচত চিটুৱেচন চিগা আলোচনা কৰোতে তেনে কোনো সাম্ভাব্য আক্ৰমণৰ ইঙ্গিত দিয়া নাছিল । কে আই এৰ ইণ্টেলিজেঞ্চ সাধাৰণতে খুউব শক্তিশালী । বাৰ্মিজ আৰ্মিয়ে কেম্পৰ পৰা মুভ কৰিলেই সিহঁতে মুহূৰ্তৰ ভিতৰতে খবৰ পাই যায় । সেইকাৰণে বুঢ়ীৰ কথা দিগন্তহঁতে প্ৰথমতে ধেমালি বুলিহে লৈছিল । পিছে সিহঁতৰ ভুল ভাঙিবলৈকো বৰ বেছি সময় নেলাগিল । মৰ্টাৰৰ শব্দ শুনা গ'লেই । অসম ডাপৰ সন্মুখৰ ফিল্ডখনতে ডাঙৰ মৰ্টাৰ শ্বেল এটা আহি পৰিল । দিগন্তহঁতে বয়-বস্তু ইউ জি কৰাৰ সুবিধাকে নাপালে । কেম্পৰ কেউপিনে বাৰ্মিজ আৰ্মিৰ গোলাবৰ্ষণ আৰম্ভ হৈছে । সিহঁতে কোনোমতে বন্দুক কেইটা লৈ আঁৰ দি দি পলাই পিছপিনৰ পাহাৰখনত লুকাই পৰিল । গোবিনৰ বেমাৰ হৈ বিছনাৰ পৰা উঠিব নোৱাৰা অৱস্থা । মৃণালে তাক বোকোচাত তুলি তেনেকৈয়ে পাহাৰ বগাই পলালে । দিগন্ত আৰু হৰেণে অলপ আঁতৰৰ পৰা জোপোহা এটাৰ আৰত পজিছন ল'লে । এবাৰ সি মুৰটো অলপ হলাই ছেকেণ্ড ব্ৰিগেডৰ বাকীসকলৰ অৱস্থান চাব খোজোতেই তীব্ৰগতিত অহা গুলী এটা তাৰ সোঁ কাণৰ কাষেদিয়ে পাৰ হৈ পিছপিনৰ গছজোপাত আঘাট কৰিলে । গছজোপা নিমিষৰ ভিতৰত দুফাল হৈ গ'ল । দুফাল হৈ পৰা গছৰ গাটোকে দিগন্তই এবাৰ তাৰ নিজৰ মূৰটো বুলি কল্পনা কৰিলে । তাৰ বুকুখন মুহূৰ্তৰ বাবে শিয়ঁৰি উঠিল ।

বাৰ্মিজ কমাণ্ডোৰ সংখ্যা পিছে বৰ বেছি নাছিল। সিহঁতে যধে-মধে গুলী ফুটোৱাৰ কথাতে দিগন্তহঁতে আক্ৰমণকাৰীৰ সংখ্যাৰ দুৰ্বলতা বুজি পাইছিলে । গতিকে সিহঁতে নিশ্চুপ হৈ থাকি ওলোটাই আক্ৰমণ কৰিবৰ বাবে নিশা হোৱালৈ বাট চালে। বাৰ্মিজ কমাণ্ডো ফ'ৰ্চটোৱেও নিজৰ সংখ্যাগত দুৰ্বলতা উপলব্ধি কৰিব পাৰিছিল। তাৰোপৰি ছেকেণ্ড ব্ৰিগেডৰ উপত্যকাটো যে সিহঁতৰ অকণো চিনাকি নহয়, সেই কথা আক্ৰমণ ধৰণ-কৰণতে ওলাই পৰিছিল। গতিকে এন্ধাৰ হোৱাৰ আগতেই য□তে যি পাৰে মেডিচিন, খোৱা বস্তু, কাপোৰ আদি গোটাই গুচি গ□ল। যাবৰ সময়ত সিহঁতে দুটামান ডাপত জুই লগাই থৈ গ'ল। নিশা দিগন্তহঁতে উভতি আহি কেম্পবোৰ লণ্ড-ভণ্ড অৱস্থাত পালে। বাৰ্মিজ আৰ্মিয়ে খোৱা বস্তু যথেষ্ট নিলে। মেডিচিন অৱশ্যে আটাইখিনি বিচাৰি নেপালে। নিশাৰ ভিতৰতে খা-খবৰ লৈ গম পোৱা গ'ল যে, কে আই এৰ চাৰিজন জোৱান মৰা পৰিছে। চিৰুং ঘৰত ডিউটিত থকা নাৰ্ছ এজনীকো মৃত অৱস্থাত পোৱা গ'ল। বুকুত গুলী লাগিছিল। অসম ডাপৰ কেৱল প্ৰকাশৰহে সোঁ ভৰিত এটা গুলী লাগিছিল। জখম অৱশ্যে সিমান গুৰুতৰ নহয়।

আৰু এবাৰ দিগন্তহঁতে থাৰ্টিন বেটেলিয়ানত থকা সময়ত বাৰ্মিজ আৰ্মিৰ অকলশৰীয়া কেম্প এটা এমবুশ্ব কৰিবলৈ গৈছিল। আবেলি ওচৰৰে মেৰে এখনৰ পৰা সৰু লৰা এটা আহি খবৰ দিলে যে, সিহঁতৰ মেৰেৰ পিছপিনে পাহৰখনৰ সিটো পাৰে থকা বাৰ্মিজ অৰ্মিৰ মেইন কেম্পটো আজি দুপৰীয়া দক্ষিণৰ পিনে উঠি গৈছে। কিন্তু নৈৰ পাৰতে থকা সৰু কেম্পটো এতিয়াও আছে। লগে লগে পৰিস্থিতি নিৰীক্ষণৰ বাবে কে আই এৰ তিনিজন সৈনিকক পঠিওৱা হ'ল। সিহঁতে উভতি আহি খবৰ দিলে যে, কথাটো সঁচা। মাত্ৰ ত্ৰিশ জনমানৰ কেম্প এটা এতিয়াও নৈৰ পাৰতে অকলশৰীয়াকৈ আছে। কেম্পটোত ভাল অস্ত্ৰ- শাস্ত্ৰ থকাৰো উমান পোৱা গৈছে। লগে লগে সিদ্ধান্ত লোৱা হ'ল যে, দোভাগ নিশা কেম্পটো এম্বুশ্ব কৰা

হ’ব। কে আই আৰ ট্ৰুপটোৰ সৈতে দিগন্তঁহতো ওলাল। নৈৰ পাৰত সিহঁতে অতি সন্তৰ্পণে নিজ নিজ পজিছন লৈ কেম্পটো আক্ৰমণ কৰিলে। তেনেকৈ বৰ বিশেষ কষ্ট কৰিবলগীয়া নহ’লেই। মেইন কেম্পটো উঠি যোৱাৰ পিছত অকলশৰে থকা হিচাপে বাৰ্মিজ আৰ্মিকেইটা এনেয়ে মানসিকভাৱে সন্ত্ৰাসিত হৈ আছিল। এম্বুশ্বৰ উমান পোৱাৰ লগে লগে এন্ধাৰৰ আঁৰ লৈ মানুহকেইটা পলাল। পিছে দিগন্তহঁতৰে কোনোবা এটাই ভুলতে মৰ্টাৰ মাৰি অস্ত্ৰ থকা ষ্ট’ৰটোকে নিচিহ্ন কৰি পেলালে। এমবুশ্ব সফল হৈয়ো সিহঁতে সুদা হতে উভতিবলগীয়া হ□ল। বেজাৰতে হৰেণে খোৱা বস্তু ৰখা ঘৰটোৰ পৰা প্ৰায় পঁচিশটা মান কনডেসড্ মিল্কৰ টেমা লৈ আহিছিল। তাৰে সিহঁতে পিছদিনা পায়স ৰান্ধি যুদ্ধত জিকাৰ নামত প□য়্ পাতিছিল। প্ৰকাশে খুউব ধুনীয়া জ্যোতি সঙ্গীত এটা গাইছিলে।

অলপ সময়ৰ পিছত চেংমায়ে দুটা আইনাৰ গিলাচত গৰম ফাখা লৈ আহিল। উতলা পানীত দুটামান শুকান চাহপাত পেলাই দিছে। সেয়াই হ’ল ফাখা। ইয়াৰ মানুহবোৰে চাহপাত ফেক্টৰীত নুশুকুৱায় । কেঁচা চাহপাত ছিঙি আনি তাৰ ৰস চেপি ৰ’দত শুকুৱাই সাঁচি থয়। পিছত তাকে গৰম পানীত দি ফাখা খায়।

ফাখা খাই থাকোতে ব্ৰাংমাই সিহঁতৰ পুৰণি দিনবিলাকৰ কথা উলিয়ালে। স্থানীয় মানুহবিলাকৰ লগত তেনেকৈ ঘৰুৱাভাৱে কথা পাতি দিগন্তয়ো বৰ ভাল পায়। তেওঁলোকৰ পৰা বহুত নতুন নতুন কথা শিকিব পাৰি। ব্ৰাংমাৰ কথাবোৰো সি অতি মনোযোগেৰে শুনি গৈছিল। বিয়াৰ পিছত ইতিমধ্যে সিহঁতে তিনিবাৰ ভেটি সলাইছে, বাৰ্মিজ আৰ্মিৰ আক্ৰমণৰ পৰা হাত সাৰিবলৈ। বাৰ্মিজ আৰ্মিয়ে সুবিধা পালেই এফালৰ পৰা ধাহি-মুহি লৈ যায়। কেতিয়াবা সিহঁতে ছোৱালীও ধৰি লৈ যায়। মানুহখিনিয়ে আকৌ নিৰাপদ আশ্ৰয় বিচাৰি আইন ঠাইত মেৰে পাতেগৈ। খেতি কৰাৰ উপৰিও গিৰিয়েক-ঘৈণীয়েকহালে সময় পালেই ওচৰৰ নৈত সোণ বুটলিবলৈ যায়। ভাগ্য থাকিলে কেতিয়াবা সোণ পায়। ছেকেণ্ড ব্ৰিগেডত বজাৰ লগাবলৈ অহা বেপাৰীবিলাকে সেই সোণ কিনি লৈ যায়। চেংমায়ে সিহঁতৰ পৰাই চেম্পু, লিপষ্টিক আদি কিনে। জেড্ পাথৰ পালেতো আৰু কথাই নাই। দুৰ্গম পাহাৰত ডাঙৰ ডাঙৰ শিলাখণ্ডৰ মাজত জেড্ পাথৰ লুকাই থাকে। জেড্ পাথৰ লুকাই থকা শিলাখণ্ডৰ ওপৰত নীলা বৰণীয়া আভা একোটাৰ আভাস সাধাৰণতে পোৱা তাৰেই আধাৰত স্থানীয় মানুহবিলাকে শিল ভাঙি বহুমূলীয়া পাথৰবিধ বিচাৰি উলিয়ায়। চীন দেশত জেড্ পাথৰৰ মূল্য খুউব বেছি। কে আই এৰ সেইটোৱেই হৈছে সবাতোকৈ ডাঙৰ ব্যৱসায়। দুবছৰ আগতে ব্ৰাংমায়ো এটা জেড্ পাথৰ পাইছিল। ফাকানৰ পৰা অহা ব্যৱসায়ী এজনে সেইটো আশী হেজাৰ কিয়াত্ দি কিনি নিছিল । তাৰে ষাঠি হেজাৰ কিয়াতেৰে ব্ৰাংমাই হাতীটো কিনিছিল । বাকীখিনি পইচাৰে সিহঁতে মচিনা চহৰলৈ গৈ বেছ ফুৰ্তি কৰিলে।

এঘণ্টামান পিছত চেংমায়ে সিহঁত দুয়োকে খোৱা মেজলৈ মাতিলে। আটইখিনি খোৱা বস্তু মেজতে উলিয়াই দি তাইয়ো লগতে বহিল। ধুনীয়া চাউলৰ ভাত। কোমোৰাৰ জোল, বিভিন্ন শাক তিনিবিধ সিজোৱা তৰকাৰি। লগতে শুকান মাছৰ চাটনি । এইবোৰ ঠাইত নৈ-জুৰি সকলোতেই মাছ উভৈনদী। দিগন্তহঁতে কে আই এৰ ছাউনীৰ পৰা আন এটা ছাউনীলৈ লং মাৰ্চ কৰি যাওঁতে বাটত ভোক লাগিলে ওচৰৰ নৈত বোমা এটা পেলাই দিয়ে। নিমিষৰ ভিতৰতে অজস্ৰ মাছ পানীত ভাঁহি উঠে। সিহঁতে পেট ভৰাই পোৱা মাছ খায়। কেতিয়াবা মাছে আমুৱাই যায়। তথাপিতো পেট পূৰাবলৈ খায়।

খোৱা আৰম্ভ কৰাৰ আগতে তিনিও এবাৰ প্ৰাৰ্থনা কৰিলে। নিজৰ ঘৰত খোৱাদি দিগন্তই হেঁপাহ পলুৱাই ভাত এসাঁজ খালে। খোৱাৰ মাজতে চেংমায়ে তাক অসমৰ বিষয়ে নানান

কথা সুধিলে। সিও ধুনীয়াকৈ ৰহণ সানি অসমৰ গাঁও-চহৰবিলাকৰ বৰ্ণনা দি গ'ল। গাঁৱতো পকীঘৰ, লাইট, মটৰগাড়ী আদি থকাৰ কথা শুনি চেংমাইৰ চকু কপালত উঠিল। অসমৰ কিছুমান মাইকী মানুহে তাইৰ নিচিনা কাপোৰ পিন্ধে বুলি জানি খুউব আনন্দ পালে। দিগন্তৰ মিহি ট্ৰেক পেণ্টটো আঁঠুৰ ওচৰতে এবাৰ আগ্ৰহেৰে চুই চালে। চাৎকৰে দিগন্তৰ মাকলৈ মনত পৰিলে।

এইবাৰ সি কাচিনলৈ ওলোৱা বুলি ঘৰত যিদিনা গম পালে, মাকে তাক এটা অদ্ভুত অনুৰোধ কৰিছিলে। পুতেকক ফুল ইউনিফৰ্মত চোৱাৰ মন। দিগন্তয়ো আজলী মাকৰ কথা ৰাখিছিল। ফুল ইউনিফৰ্ম পিন্ধি পিঠিত ইকুইপমেণ্ট বেগ, কঁকালত গ্ৰেনেডৰ বেল্ট এডাল, টেমলেট, ৰাইচ বেগ ইত্যাদি সকলোৰে সু-সজ্জিত হৈ সি মাকৰ সমুখত থিয় দিলে। ইকুইপমেণ্ট বেগটো খুলি এটা এটাকৈ বস্তুবোৰ উলিয়াই মাকক দেখুৱাইছিলে । পিষ্টল এটা, পানী কাপোৰ এখন, কটাৰী এখন, বেজী-সূতা, টাপলি মৰাৰ বাবে লোৱা কাপোৰ, পাঁচ মিটাৰমান দীঘল প্লাষ্টিকৰ ৰচী এডাল, মাছ মৰা বৰশী, এলুমিনিয়াম থাল এখন আৰু গিলাচ এটা। পাহাৰত প্ৰতিটো বস্তুৰে প্ৰয়োজনীয়তাৰ কথাও সি মাকক বুজাই দিছিল।

মাকে সেইদিনা তাৰ ইউনিফৰ্মত চাৰ্টটো পিটিকি পিটিকি চাইছিল আৰু এটা সময়ত আবেগতে পুতেকক সাবটি ধৰিছিলে। তাৰ কপালত চুমা এটা আঁকি আশীৰ্বাদ দিছিলে।

সেই দৃশ্যটো মনত পৰি দিগন্তৰ চকু সেমেকি উঠিল।

সময় ইতিমধ্যে যথেষ্ট হৈছে। তিনিবজাত কে আৰ এৰ ছাৰ্জেণ্ট মেজৰৰ অফিচত চিটুৱেচন চিগাৰ আলোচনাত সি উপস্থিত থাকিব লাগিব। দিগন্তই ব্ৰাংমাক ঘড়ী আছে নেকি সুধিলে। 'ঙা আই' বুলি মূৰ দুপিয়াই ব্ৰাংমা ভিতৰৰ কোঠাটোলৈ সোমাই গ'ল।

দিগন্তৰ এটা ইলেক্ট্ৰনিক ঘড়ী আছিল। কলেজত পঢ়ি থকাৰ সময়ত তিনিচুকীয়াৰ ফুটপাথৰ পাৰ পঁয়ত্ৰিশ টকা দি কিনা। ব্ৰহ্মদেশলৈ প্ৰথমবাৰ ওলাই আহোঁতে সি সেইটো পিন্ধি আহিছিল। এন এছ চি এনৰ হেড্ কুৱাৰ্টাৰত গোহাঁই ছাৰক এদিন পাৰ্টি এটালৈ মাতিছিল। সন্ধিয়া গোহাঁই ছাৰে ড্ৰেছ-পাতি কৰি ৰেডি হৈছে। কেম্পত অইন কাৰোৰে হাতত ঘড়ী নাই। দিগন্তই তাৰ ঘড়ীটোকে গোহাঁই ছাৰক দিলে। পুৰণা ঘড়ী। আইনাখন খুলি খুলি যায়। পাৰ্টিত দিগন্তই মন কৰিছিল, গোহাঁই ছাৰে বাৰে বাৰে অইনে নেদেখাকৈ ঘড়ীৰ আইনাখন ঠিক কৰি লয়। পিছদিনা ৰাতিপুৱা গোহাঁই ছাৰে ঘড়ীটো ওভতাই দি তাক কৈছিল, 'এইটো কি ঘড়ী দিছিল ঐ ?'

দিগন্তই হাঁহি এটা মাৰি কৈছিল, 'ঘড়ীটো আপুনিয়ে ৰাখক। কেতিয়াবা আকৌ লগা হ'ব পাৰে।'

সেইটোৱেই আছিল তাৰ প্ৰথম আৰু একমাত্ৰ ঘড়ী।

ব্ৰাংমাই ভিতৰৰ পৰা সৰু লেডিজ ঘড়ী লৈ এটা আহিল। চেংমায়ে মচিনাত কিনা। দিগন্তই ঘড়ী চাই দেখে, ডেৰটো বাজিছে। কাচিনৰ স্থানীয় সময় অনুমান কৰাটো তাৰ অভ্যাসৰ নিচিনা হৈ পৰিছে ।

দিগন্তই খৰ-ধৰ কৰিলে। তিনিবজাত যেনে-তেনে কেম্প গৈ পাব লাগিব। আজি অসমৰ পৰা স্পেচিয়েল ডব্লিউ টি মেচেজ অহাৰো কথা। উজনিত জি এইচ কিউ বহিছে। চি ইন চি ছাৰে সংগঠনৰ কাৰণে ভাল ল'ৰা কেইটামান পঠিয়াই দিবলৈ কৈছে। তাৰ বাবেও বহু কাম আছে। দিগন্তই মানুহ হালক মাত লগাই চাংঘৰৰ পৰা নামি আহিলে। চেংমায়ে তাক আকৌ এদিন আহিবলৈ দঢ়াই দঢ়াই ক'লে । ব্ৰাংমাই সমুখৰ জুৰিটোৰ পাৰলৈকে তাক আগবঢ়াই দিলে।

দিগন্তই দীঘল দীঘল খোজ দি কেম্পলৈ পোনালে। বাতত আহি থাকোতে মনত পৰিল, আজি কুমফ্ৰ'ডুমৰ পৰা অলপ কিয়াত্ উলিয়াব লাগিছিল। বিজয় আৰু প্ৰভাতৰ জোতা দুযোৰ পিন্ধিব নোৱাৰাকৈ ফাটি গৈছে। সিহঁতে নিজে এবাৰো কোৱা নাই যদিও দিগন্তই নিজেই নতুন দুযোৰ জোতা কিনি দিয়াৰ কথা ভাবিছে।

কুমফ্ৰ'ডুম হৈছে টকা-পইচা ৰখা ঘৰ। কে আই এৰ বেঙ্ক। বিভিন্ন ডাপৰ টকা-পইচাবোৰ তাতেই জমা থয়। অসম ডাপৰো একাউণ্ট এটা আছে। দিগন্তই চোৰা-চিতা কৰে। পইচা বুলিবলৈ যোৱা এপ্ৰিল মাহত গোহাঁই ছাৰ আহোঁতে তাক পোন্ধৰ হাজাৰ কিয়াত্ দি থৈ গৈছিল। তাৰোপৰি ল'ৰাবিলাকে বছৰি কে আই এৰ পৰা নশ কিয়াতকৈ দৰমহা হিচাপে পায়। বিনামূলীয়া ৰেচনৰ উপৰিঞ্চি হাত খৰচ। কে আই এৰ তত্বাৱধানত থকাৰ সময়ত অসমৰ ল'ৰাখিনিকো তেওঁলোকে নিজৰ আৰ্মি বুলিয়েই ব্যৱহাৰ কৰে। নদী পাৰ হৈ চাউল আনিবলৈ, এমবুশ্ব কৰিবলৈ বা অইন বিভিন্ন কামান দি অসম ডাপৰ ল'ৰাকো যিদৰে পঠিয়ায়, তেনেকৈ ৰেগুলাৰ আৰ্মিৰ নিচিনাকৈ বছেৰেকীয়া দৰমহাও দিয়ে। তাৰে ল'ৰাবোৰে দুই-এপদ লাগতিয়াল বস্তু কিনে, বাকীখিনি কুমফ্ৰ'ডুমত অসম ডাপৰ একাউণ্টত জমা দিয়ে। পইচা-পাতি খৰচৰ ক্ষেত্ৰত দিগন্ত খুউব মিতব্যয়ী। চি ইন চি ছাৰে যিমান পাৰি কম খৰছত চলিবলৈ কৈ গৈছিল। গতিকেই সি প্ৰতিটো কিয়াতৰ হিচাপ ৰাখে। এদিন সন্ধিয়া পঞ্চাশ কিয়াতৰ হিচাপ নিমিলা কাৰণে হিচাবৰ কাগছ-পাতি লৈ বহি যোৱা দেখি প্ৰভাতে কৈছিল, 'মহাশয়, আপুনি মিছাতে ইমান জুখি-মাখি খৰচ কৰে। অসমত এতিয়া সংগঠনৰ পইচা উভৈনদী। ল'ৰাৰ হাতে হাতে য়ামাহা আৰু মাৰুতি গাড়ীৰ চাবি। ধুনীয়া ধুনীয়া ড্ৰেছ'

প্ৰভাত কাচিনলৈ অহা দুমাহহে হৈছে। তাৰ ঘৰ ৰংজুলিত। সন্ধিয়া সি প্ৰায়ে দিগন্তৰ ওচৰত বহেহি। অসমত এতিয়া সংগঠন কিদৰে চলিছে, সেই বিষয়ে কথা পাতে। নতুন ল'ৰা বহুত সোমাইছে। সিহঁতে সংগঠন চলোৱাৰ কষ্ট কি দেখাই নাই। সংগঠনত সোমায়েই মাৰুতী গাড়ীৰ চাবি পাইছে। পইচাৰ কাৰণে জীৱন আগ কৰি কষ্টকৈ বেঙ্ক ডকাইতিও কৰিবলগীয়া হোৱা নাই। লাগ বুলিলে কাৰোবাৰ ওচৰলৈ গৈ ধমকি এটা দিলেই টকা পোৱা যায়। পইচাৰ কোনো হিচাব দিব নালাগে। ল'ৰাই জিপচীৰে গাঁৱলৈ যায়, সমবায় পদ্ধতিৰে খেতি কৰাৰ কথা ক'বলৈ। হাতত এম টুৱেন্টি একোটা লৈ দুঘণ্টামান ওপৰে ওপৰে কামৰ তদাৰকী কৰি উভতি আহে। উভতি আহি নগৰৰ পৰা কৃষি বিপ্লৱৰ প্ৰয়োজনীয়তাৰ বিষয়ে ডাঙৰ ডাঙৰ বিবৃতি দিয়ে। মিনিষ্টাৰ- এমেলেৰ গাড়ীত আৰামকৈ বহি জনতা ভৱন পায়। লগত বিভিন্ন জনৰ ট্ৰেন্সফাৰ, পাৰ্মিটৰ ফৰমাইচ। অসমত বিপ্লৱ সেইদৰেই চলিছে।

দিগন্তই প্ৰথমতে প্ৰভাতৰ কথাবোৰ বিশ্বাস কৰা নাছিল। আজিকালি লাহে লাহে বিশ্বাস কৰিবলৈ লৈছে। কেতিয়াবা সি ভাবি আচৰিত হয়। সংগঠনৰ কাৰণে ইমান আড়ম্বৰ, ইমান টকা-পইচাৰ প্ৰয়োজন কিয় ? ল'ৰাবোৰে নীৰৱে মানুহৰ মাজত সোমাই থাকি সংগঠনৰ কাম কৰিব নোৱাৰে জানো ? প্ৰভাতৰ মুখত ধন সংগ্ৰহৰ ধৰণ-কৰণ শুনি সি কেতিয়াবা ভয় খায়। ইমানবোৰ টকাই ল'ৰাবিলাকক নষ্টহে নকৰিবনে ? পুৰণি দিনৰ কথাবোৰ তাৰ মনত পৰে। ইয়ালৈ অহাৰ আগেয়ে অসমত সি বিত্ত বিভাগৰ দায়িত্বত আছিল। সংগ্ৰামৰ প্ৰতি কোনো ধৰণৰ সহানুভূতি নথকা ব্যৱসায়ীৰ পৰা দাবী-ধমকি দি টকা সংগ্ৰহৰ সি বিৰোধিতা কৰিছিলে। তাৰ পৰিৱৰ্তে সহানুভূতিশীল শুভাকাঙ্খীৰ পৰা বৰঙণি তোলাৰ বাবে কুপনৰ চিষ্টেম কৰিছিল। বছৰি পাঁচশ, এশ, পঞ্চাশ আৰু পঁচিশটকীয়া কুপন। জেনেৰেল কাউন্সিলৰ মিটিঙত সি হিচাব কৰি দেখুৱাইছিল যে, কুপন চিষ্টেমেৰে গোটেই অসমত শুভাকাঙ্খীসকলৰ পৰা বছৰি এক কোটি টকাকৈ তুলিব পৰা যাব। সশস্ত্ৰ সংগঠন এটা ভালদৰে চলাবৰ বাবে বছৰি এক কোটি টকা যথেষ্ট। কেতিয়াবা কিবা কাৰণত বেছিকৈ পইচা লাগিলে বেঙ্ক ডকাইতি কৰিব। এনেকৈ পইচা তুলিলে মানুহৰ মাজত অন্ততঃ সংগঠনৰ বদনাম নহ'ব । বৰঙণি দিয়া

শুভাকাঙ্খীসকলৰো সংগঠনৰ প্ৰতি কমিটমেণ্ট এটা আহিব। জেনেৰেল কাউন্সিলে দিগন্তৰ প্ৰস্তাৱত ঠিকেই অনুমোদন জনালে। পিছে কুপন কুপনেই হৈ থাকিল। ল'ৰাই পঁচিশ-পঞ্চাশ টকা তুলিবলৈ লাজ কৰা হ'ল। তাতকৈ বন্দুক দেখুৱাই দুৰ্নীতিপৰায়ণ ব্যৱসায়ী, চাকৰিয়ালৰ পৰা লাখ টকা আদায় কৰাটো বহু সহজ। পইচা পইচাই। শুভাকাঙ্খীৰে হওক, বা কোনোবা দুৰ্নীতিপৰায়ণ ঠিকাদাৰ-ব্যৱসায়ীৰে হওক। এয়া হৈছে নতুন ল'ৰাবিলাকৰ যুক্তি।

কথাবোৰ ভাবি দিগন্তৰ দুখ লাগে। ইয়াত ল'ৰাই খাবলৈ নেপাই মৰিছে। গছৰ পাত, সাপ-বেং খায়ো দিন নিয়াবলগীয়া হৈছে বহুবাৰ আৰু অসমত চলিছে বিপ্লৱৰ নামত বিলাসীতা। নগৰীয়া আঢ্যৱন্তৰ ড্ৰইংৰুমত কাজু-আপেল খাই বিপ্লৱৰ ওপৰত বিতৰ্ক চলে।

কিয় বাৰু এনেকুৱা হ'ল ?

গোহাঁই চাৰেও তাক ঠিক তেনেকুৱা ইঙ্গিতকে দিছিল। দুমাহ আগেয়ে অসমলৈ উভতি যোৱাৰ সময়ত তেখেতে তাক জি এইচ কিউৰ পৰিকল্পনাৰ কথা কওঁতে সি আপত্তি কৰিছিল। তাৰ যুক্তি আছিল, এবছৰ-দুবছৰৰ বাবে ল'ৰাই কাচিনত ট্ৰেইনিং ল'বলৈ অহাটো বেলেগ কথা। কিন্তু উভতি গৈয়ো সিহঁতে যদি মানুহৰ মাজত সোমাই পৰাৰ পৰিৱৰ্তে জনজীৱনৰ পৰা বিচ্ছিন্ন হৈ জংগলত কেম্প পাতি থাকে, তেন্তে সংগঠনটো কাহানিও গণমুখী হ'ব নোৱাৰিব। সিহঁত বিপ্লৱৰ ঠিকা লোৱা কেইটামান যুৱকৰ সমষ্টিহে হৈ পৰিব।

গোহাঁই চাৰে তাৰ যুক্তিবোৰ মনোযোগেৰে শুনি উঠি কৈছিল, 'তোৰ কথাত ময়ো একমত। ল'ৰাবোৰে আচল অৰ্থত মানুহৰ মাজত মিলি পৰিব পাৰিলেহে সংগঠন শক্তিশালী কৰিব পৰা যায়। কিন্তু আমাৰ সামাজিক পৰিৱেশৰ কথাও আমি পাহৰিব নেলাগিব। পৰিৱেশৰ প্ৰলোভন বহুতো। ল'ৰাবোৰক সম্পূৰ্ণ সংযমী কৰি তুলিব নোৱাৰা পৰ্যন্ত সিহঁতক মই অলপ আঁতৰাই ৰখাৰ পক্ষপাতী। জি এইচ কিউ মই বহুৱাব খুজিছোঁ এইবাবেই যে, কেম্পত ল'ৰাবোৰ অলপ কষ্টৰ মাজত থাকক। মোৰ সিদ্ধান্ত ভুলো হ'ব পাৰে। কিন্তু আজিৰ তাৰিখত সংগঠনৰ কামত সকলোকে মুকলিকৈ এৰি দিলে টাউনত থাকি ইহঁত আটাইবোৰ গেলিব।'

সংগঠন গেলাৰ কথা ওলালেই দিগন্তই মনত বৰ দুখ পায়। সংগঠন গঢ়িবৰ কাৰণে কষ্ট সিহঁতে যথেষ্ট কৰিছে। এটা সময়ত শুভাকাঙ্খীৰ ঘৰে ঘৰে কুপন বেচিবলৈ ট্ৰাক-বাছত উঠি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সিহঁতে ঘূৰি ফুৰিছিল। সংগঠন তেতিয়া সিমান জনপ্ৰিয় নহয়, গ্লেমাৰো তেনেকৈ নাই। গতিকে আশ্ৰয় দিওঁতাও বিচাৰি পাবলৈ টান। য'তে যেনেকৈ পাৰে, নিশাটো কটাই দিয়ে। গুৱাহাটী ৰেল ষ্টেচনৰ প্লেটফৰ্মত সি কেইবা নিশা শুইছে। লগত আছিল ৰাজেন। বাঁহজানিৰ ল'ৰা। ভাল কবিতা লিখে। এদিন ৰাজেনে প্লেটফৰ্মত বহি বহি কবিতা এটা লিখিছিলে। শুদা পেটে থকাৰ যন্ত্ৰনা আৰু দুচকুত বিপ্লৱৰ স্বপ্ন। ঠিক যেন নিজক লৈয়ে ৰাজেনে কবিতাটো লিখিছিলে। পিছদিনা ৰাতিপুৱা সি দিগন্তক কবিতাটো পঢ়ি শুনাইছিলে। দুটামান শাৰী তাৰ এতিয়াও মনত আছে। পুৰস্কাৰ হিচাপে দিগন্তই ডেৰ টকাৰে কিনা পাউৰুটিৰ ডাঙৰ অংশটো ৰাজেনক খাবলৈ দিছিল আৰু ধেমালি কৰি পিঠিত চপৰিয়াই দি কৈছিল, 'স্বাধীন হোৱাৰ পিছত তোৰ কবিতাৰ কিতাপ এখন ছপাই দিম দে !'

তাৰ পিছত পঞ্চাশ পইচাৰে কিনা চাহ কাপ প্লেটত ঢালি ভগাই খাই দুয়ো পইচা সংগ্ৰহৰ বাবে ওলাই গৈছিল।

সংগঠনৰ বাবে পইচাৰ প্ৰয়োজনত দিগন্তই বেঙ্ক ডকাইতিও কৰিছে বহুবাৰ। শেষ ডকাইতিটো আছিল ইয়ালৈ অহাৰ দুমাহমান আগেয়ে। ল'ৰাক ট্ৰেইনিঙলৈ পঠিয়াবৰ বাবে পইচা লাগে। অথচ সংগঠনৰ পুঁজি বুলিবলৈ একোৱেই নাই। বিদ্যুতে তিনিচুকীয়াৰ চাউলৰ ব্যৱসায়ী

কেইজনমানৰ পৰা পইচা সংগ্ৰহৰ পৰামৰ্শ দিছিল। দিগন্তই পিছে মানা কৰিলে। শেষত বেঙ্ক ডকাইতি কৰাৰে সিদ্ধান্ত লোৱা হ'ল। মণিপুৰৰ তিনিজন সদস্যই পৰিকল্পনাত যোগ দিলে। সকলোৱে নিজ নিজ দায়িত্ব ভগাই ল'লে। দিগন্তই বেঙ্কটোৰ চৌপাশ ভালদৰে নিৰীক্ষণ কৰাৰ লগতে টকা লৈ পলাই যাবৰ উপ-পথবিলাকো চিনাক্ত কৰিলে। সংগঠনৰ তেতিয়া গাড়ী বুলিবলৈ এখনো নাই। গোহাঁই চাৰে গোলাঘাটৰ ওচৰৰ পেট্ৰল পাম্প এটাৰ পৰা পোন্ধৰ হাজাৰ টকা সংগ্ৰহ কৰিছিল। তাৰেই সিহঁতে পুৰণি জীপ এখন কিনিলে। আকৌ বিপদ। ভালদৰে গাড়ী চলাব জনা ল'ৰা সংগঠনত এটাও নাই। বিদ্যুতৰ চিনাকি বঙালী ড্ৰাইভাৰ এটাক বুজাই-বঢ়াই এবেলাৰ কাৰণে মান্তি কৰোৱা হ'ল। নিৰ্দিষ্ট এটা দিনত বেঙ্কৰ পৰা টকা উলিয়াই নিয়াৰ সময়তে আটাইখিনি টকা ডকাইতি কৰা হ'ল। পৰিকল্পনা অনুসাৰে সুকলমে নিৰ্দিষ্ট স্থানত টকা পৌছিও গ'ল। পিছত কিন্তু এটা ল'ৰাৰ অসাৱধানতাৰ কাৰণেই প্ৰায় আটাইবোৰেই ধৰা পৰিল। দিগন্তই পুলিচৰ চকুত ধূলি মাৰি অন্তৰ্ধান হ'ল। যথেষ্ট বিপদৰ মাজেৰে সিহঁতে এইদৰে সংগঠনৰ বাবে পুঁজি সংগ্ৰহ কৰিছিলে । কষ্ট হৈছিল বাবেই পইচাৰ খৰচো কৰিছিল জুখি-মাখি। আজিকালি আৰু কালেকচন কাৰণে কোনো কষ্ট কৰিব নেলাগে। আয়াসতে পইচা আহে। গতিকে খৰচো হয় যথে-মথে। অৰ্থ-সৰ্বস্বতাই বিপ্লৱী সংগঠন একোটাক কেনেদৰে ধ্বংসমুখী কৰে, আগতে সি কিতাপত পঢ়িছিল। কিতাপৰ ছপা আখৰবোৰ যেন অসমত বাস্তৱ হৈ ওলাই আহিছে।

যোৱাকালি দুপৰীয়া পলিটিকেল ক্লাছতো বিজয়ে এইবোৰ কথা উলিয়াইছিলে । বহু সময় ধৰি সংগঠনৰ আভ্যন্তৰীণ দুৰ্বলতাৰ ওপৰত আলোচনা হৈছিল। আলোচনাৰ শেষত দিগন্তই কৈছিল, আৰু এটা কথা কি জানা। বিপ্লৱৰ ঐতিহাসিক চৰ্চা কৰাৰ সময়ত আমি সদায়ে বিফল বিপ্লৱসমূহৰ উদাহৰণহে লওঁ। বিপ্লৱী ধাৰা একোটাক সফলতাৰে প্ৰতিষ্ঠা কৰিবৰ বাবে কি কি কৰা উচিত সেই বিষয়ে ইতিহাসৰ শিক্ষা যিদৰে দৰকাৰী, তেনেদৰে বিপ্লৱৰ সম্ভাৱনা একোটা বিফলনো কিয় হয়, সেই বিষয়ৰো চৰ্চা হোৱা উচিত। ইতিহাসৰ বিফল বিপ্লৱবিলাকৰ অধ্যয়নেও আমাক শিক্ষাৰ যথেষ্ট সমল যোগাব পাৰে।

মানুহৰ মাতত দিগন্তৰ চিন্তাত আউল লাগিল। ইমান পৰে সি তলমূৰকৈ খোজ কাঢ়ি আন এখন চিন্তাৰ জগতত বিচৰণ কৰি আছিল। মূৰ তুলি চাই দেখে, এহাল ডেকা-গাভৰু ওলোটা দিশৰ পৰা আহি আছে। ডেকাৰ কান্ধত কাপোৰৰ বেগ এটা। বোধকৰো ওচৰৰ নৈত সোণ বুটলিবলৈ গৈছিল। দুয়ো নিজৰ মাজত ইমান বিভোৰ যে, নিৰ্জন বাটটোতে আনকি দিগন্তক নেদেখাকৈয়ে কথা পাতি পাতি সিহঁত পাৰ হৈ গ'ল।

ল'ৰা- ছোৱালীহালৰ দেখি দিগন্তৰ হঠাতে অঞ্জুলৈ মনত পৰিল।

অঞ্জু তাঁতী।

নাহৰণি চাহ বাগিচাৰ মজদুৰ লাইনৰ ডাঙৰ হোৱা ছোৱালী অঞ্জু। দিগন্তৰ কাণ সমনীয়া। দিগন্তৰ দেউতাক নাহৰণি চাহ বাগিচাৰ বৰবাবু। অঞ্জুৰ দেউতাক আছিল মাজদুৰৰ চৰ্দাৰ বুলি। ডেকা-বুঢ়া সকলোৱে মাতৰ ৰামু চৰ্দাৰ বুলি । মানুহটোৰ কথা-বতৰা এনেয়ে বৰ ভাল। অঞ্জুক খুউব মৰম কৰে। কিন্তু মদ খালে ৰামু চৰ্দাৰ হৈ পৰে সম্পূৰ্ণ অইন এটা মানুহ। বনৰীয়া জন্তুৰ দৰে হিংস্ৰ। মদ খাই আহি অঞ্জুৰ মাকক খুউব মৰিয়াই । তেতিয়া তাক আৰু কোনেও ধৰি ৰাখিব নোৱাৰে। নিচা ফটাৰ পিছত আকৌ সৰু ল'ৰাৰ দৰে ফেঁকুৰি ফেকুৰি কান্দে। পিছদিনা আকৌ মদ খায়। ঘৈণীয়েকক মৰিয়ায়। দিগন্ত আৰু অঞ্জুৱে বহুদিন আলেঙে আলেঙে থাকি এইবোৰ ঘটনা দেখিছে। মদৰ প্ৰতি তেতিয়াৰে পৰা বৃতিষ্ণা। মদৰ বটল দেখিলেই অঞ্জুৰ দেউতাকৰ হিংস্ৰ মুখখন, মাকৰ অসহায় চাৱনি, অঞ্জুৰ দুচকুৰেদি বৈ অহা অশ্ৰু এটা আটাইবোৰ এককাৰ

হৈ এক কিম্ভূত-কিমাকাৰ চিত্ৰ তাৰ চকুৰ আগত ভাঁহি উঠে। ভয় আৰু বৃতিষ্ণাত সি চকু দুটা জপাই দিয়ে।

অঞ্জু আৰু দিগন্তৰ বন্ধুত্ব একেবাৰে ল'ৰালিকালৰে পৰা। ল'ৰালিৰ দিনবোৰ এতিয়াও তাৰ বাবে সতেজ-সজীৱ স্মৃতি। দুয়ো ৰাতিপুৱাই ঘৰৰ পৰা ওলায়। দিগন্তৰ হাতত কেটেপা এপাত। অঞ্জুৱে কোঁচ ভৰাই আনে বাটলু গুটি। দিনৰ দিনটো দুয়ো তলৌ তলৌকৈ ওচৰৰ হাবিয়ে-জংগলে ঘূৰি ফুৰে। আম-আমলখি যি পায়, বাটলুৰে পাৰি খায়। দিগন্তই কেতিয়াবা চৰাই মাৰিবও খোজে। অঞ্জুৱে হাক দিয়ে। তেনেকৈয়ে দিনবোৰ পাৰ হয়। তাৰ তেতিয়া ছবছৰ, মাকে এদিন স্কুললৈ যোৱাৰ কথা উলিয়ালে। অঞ্জুৱে গম পাই দেউতাকক কুটুৰিলে। তায়ো স্কুল যাব। ৰামু চৰ্দাৰে ওলোটাই ধমকি এটা দিলে। বাগানৰ ছোৱালী, পঢ়ি কি লাভ ? অঞ্জুৱে কান্দি কান্দি দিগন্তৰ মাকক লগালেগৈ। দিগন্তৰ মাকে অঞ্জুক খুউব ভাল পায়। পিছদিনাই ৰাতিপুৱা ৰামু চৰ্দাৰক মাতি পঠিয়ালে। মূৰ খজুৱাই খজুৱাই ৰামু আহি মাকৰ সমুখত হাজিৰ। মানুহটো তেতিয়া একেবাৰে প্ৰকৃতিস্থ । মদৰ নিচাৰ কোনো চিন চাব নাই। অঞ্জু আৰু দিগন্তই পৰ্দাৰ ফাঁকেৰে চাই আছে। দিগন্তৰ মাকে মৰমেৰে দাবী দিয়াৰ সুৰত ৰামু চৰ্দাৰক ক'লে 'সেইসোপা খাই জীৱনটো নষ্ট কৰিলেয়ে। এতিয়া জীয়েৰৰো মূৰটো খাবলৈ ওলাইছ। তাই পঢ়ি-শুনি মানুহ হ'ব খুজিছে। তই বাপেকটো হৈ বাধা দিবলৈ বেয়া নালাগিলনে ?

ৰামু চৰ্দাৰে কিবা এটা ক'বলৈ মুখ মেলিছিল। মাকে পিছে কোৱাৰ সময়কে নিদিলে, 'তাইৰ পঢ়া-শুনাৰ খৰচ-পাতি যি লাগে, ময়েই দিম যা।'

ৰামু চৰ্দাৰে কপালত সোঁহাতখন লগাই চালাম এটা কৰি 'হ'ব বাৰু' বুলি কৈ সুৰ সুৰকৈ ওলাই গুচি গ'ল।

দিগন্তৰ সেই মূহুৰ্তত মাকক সিহঁতৰ থাপনাৰ কেলেণ্ডাৰখনত থকা গোসাঁনীজনীৰ নিচিনা লাগিছিলে।

পিছদিনা মাকে ধৰ্মক বজাৰলৈ পঠিয়াই দিগন্ত আৰু অঞ্জুৰ কাৰণে এখনকৈ চিলট আৰু কুঁহিপাত কিনাই অনালে। দুদিন পিছত ককায়েকৰ হাতত ধৰি দুয়ো স্কুললৈ গ'ল। বাটত যে সিহঁতৰ কি ফূৰ্তি ! অঞ্জুৱে সেই কুঁহিপাতখন এতিয়াও সযতনে ৰাখি থৈছে। এইবাৰ সি আহিবৰ দিনা মাত লগাবৰ সময়ত তাই ভঙা কাঠৰ বাকচটো খুলি গামোছাৰে মেৰাই ৰখা কুঁহিপাতখন উলিয়াই দেখুৱাইছিলে। ঠিক দিগন্তৰ মাকে থাপনাত কীৰ্তনখন মেৰাই ৰখাৰ নিচিনাকৈ আলফুলে ৰাখিছে। আপুৰুলীয়া সম্পদৰ দৰে সি কিতাপখন লুটিয়াই-বগৰাই চাইছিলে। উৰঁলি যোৱা বেটুপাতখনত তাৰ একা-বেঁকা আখৰেৰে লিখা অঞ্জুৰ নামটো জিলিকি আছিল। আখৰকেইটাৰ কথা মনত পৰি দিগন্তৰ হাঁহি উঠি গ'ল।

অঞ্জু পঢ়া- শুনাত বৰ ভাল আছিল। হাতৰ আখৰবোৰ খুউব ভাল। মৌখিকত তাই সদায় এশ পাইছিলে । বিপিন চাৰেসদায় তাইক উৎসাহ দি কৈছিল, 'ভালকৈ পঢ়িলে অঙ্কৰ প্ৰফেচাৰ হ'ব পৰিবি দে।' পিছে তাইৰ বেছি পঢ়া নহ'ল। হাইস্কুলত থাকোতে দেউতাক ঢুকাল। মানুহটো মদ খাই খাইয়ে মৰিল। মৰাৰ আগদিনাও মদ খাই বেহুচ হৈ আহি অঞ্জুৰ মাকক ফলা খৰিৰে কোবাইছিলে। সন্ধিয়া মানুহটোৱে এডোঙা তেজ বমি কৰিলে। ৰাতি মৰি থাকিল । তাৰ পিছৰখিনি সাধাৰণতে ঘটাৰ নিচিনা ঘটনা। অঞ্জুৱে স্কুল এৰিলে। ঘৰ নচলে। দুদিনমান মাকৰ সৈতে পাত তুলিবলৈ গ'ল। এদিন বাগিচাৰ এচিষ্টেন্ট মেনেজাৰ এটাই তাইক বাটতে কিবা অসৎ ইঙ্গিত দিলে। অঞ্জুৱে সকলোৰে আগতে মানুহটোক কাণতলীয়া চৰ এটা শোধালে। মুহূৰ্তৰ ভিতৰতে বাগানত হুলস্থুল লাগি গ'ল। সকলোৱে কাম বন্ধ কৰিলে।

আবেলি ডিগন্তহঁতে স্কুলৰ পৰা আহি কথাটো গম পাই মেনেজাৰটোক মাৰেই। কথা বিষম যেন দেখি নিশাৰ ভিতৰতে এচিষ্টেন্ট মেনেজাৰজনক কলিকতালৈ পলুৱাই পঠিওৱা হ'ল।

অঞ্জুৰ বাগানত কাম কৰা পৰ্ব সিমানতে অন্ত পৰিল। কেইদিনমান তাই ঘৰতে জুপুকা মাৰি থাকিল। তাৰ পিছত মন বান্ধিলে। দিগন্তৰ মাকৰ ওচৰত চিলাই শিকি লৈ দুই- এপইচা উপাৰ্জন আৰম্ভ কৰিলে। তাৰ পিছত প্ৰাইভেটকৈ মেট্ৰিকো দিলে। অঞ্জু আজিকালি মাষ্টৰণী বাইদেউ - যিখন স্কুলত সিহঁতে অ- ফলা আৰম্ভ কৰিছিলে , সেইখন নাহৰণি জনতা বিদ্যালয়তে।

অঞ্জু আজিকালি আগতকৈ বহুত গহীন গ'ল। বাহিৰত জুখি - মাখি কথা কয়। দিগন্তৰ সৈতে বন্ধুত্ব কিন্তু আগৰ নিচিনাই। আবেলি তাই প্ৰায়ই স্কুলৰ পৰা উভতি আহি দিগন্তহঁতৰ ঘৰত এপাক মাৰে। বাতৰি কাকতখন পঢ়ে, মাকৰ পৰা চিলাইৰ নতুন ডিজাইন শিকে, কেতিয়াবা ঘৰুৱা কামটো লাগি ভাগি দিয়ে। দিগন্ত ঘৰতে থাকিলে সন্ধিয়া তাইক লাইনলৈ থৈ অহাটো নিয়মৰ নিচিনা। চাহগছৰ মাজে মাজে একা- বেঁকা পথেৰে দুয়ো আগবাঢ়ে। অঞ্জুৱে অনৰ্গল কথা পাতি যায়। অইন সময়ত জুখি- মাখি কথা কোৱাৰ বিড়ম্বনা যেন সুদে- মূলে উচল কৰে। দিগন্তই মনে মনে কথাবোৰ শুনি যায়। তাই জোৰ কৰিলে দুই- এটা উত্তৰ দিয়ে। বাকী সময়ত আমনি নকৰে। ক'বলৈ যে তাইৰ কিমান কথা! স্কুলৰ কথা, নতুনকৈ খোলা মহিলা সমিতিখনৰ কথা, লাইনৰ সিপাৰে থকা মদৰ দোকানখনত পিকেটিং কৰাৰ পৰিকল্পনা আৰু কত কি!

কেতিয়াবা আকৌ তাই বহু দূৰলৈ গৈ কয়, এদিন আমাৰ মজদুৰবিলাক বাগিচাৰ মালিক হ'লে যে ভাল হ'ব নহয়!

একেটা কথাকে গোহাঁই চাৰেও দিগন্তক কৈছিল। আৰু সেয়াই আছিল সংগঠনৰ সৈতে তাৰ প্ৰথম চিনাকি।

সি তেতিয়া তিনিচুকীয়া কলেজত পঢ়ে। বি এ ফাইনেল দিছে। এদিন গোহাঁই চাৰে তাক আৰু বিপিনক হাঁহচৰালৈ মাতি পঠিয়ালে। বিপিন তেতিয়া আঞ্চলিক গণ সংগ্ৰামৰ ছেক্ৰেটেৰী। বিদেশী খেদা আন্দোলন লৈ গাঁৱে গাঁৱে মিটিং কৰি ফুৰে। দুয়োৰে গোহাঁই চাৰৰ সৈতে চিনাকি ফুটবল ফিল্ডত । গোহাঁই চাৰ খুউব ভাল গল'কীপাৰ আছিল। দিগন্তই খেলিছিল চেণ্টাৰ ফৰৱাৰ্ডত। তেনেকৈয়ে সিহঁতৰ চিনাকি।

গোহাঁই চাৰে সিহঁত দুয়োকে নিৰ্মলাহঁতৰ চোতালত বহুৱাই লৈ কৈছিল, আমি এটা সংগঠন খুলিছো। স্বাধীনতাৰ কাৰণে বন্দুকেৰে যুদ্ধ কৰিম। আমাক কষ্ট কৰিব পৰা ভাল লৰা কিছুমান লাগে। তহঁতি আমাৰ সংগঠনত যোগ দিবি নেকি ?

বিপিনে প্ৰায় আচৰিত হোৱাৰ নিচিনাকৈয়ে সুধিছিল, আমি দেখোন কেতিয়াবাৰে পৰাই স্বাধীন । নতুনকৈ আকৌ কি স্বাধীন হ'ব লাগে ?

গোহাঁই চাৰে এবাৰ মূৰ তুলি দুয়োটালৈ চালে। কিন্তু সময় তলকা মাৰি মনতে যেন কথাবোৰ জুকিয়াই ল'লে। তাৰ পিছত ক'লে, তহঁতৰ বাগিচাখনৰ কথাই ধৰ। এই মাটিবোৰটো এদিন আমাৰেই আছিল আৰু আমাৰ মানুহেই তাত মজদুৰী কৰিছে। কিন্তু বাগিচাখনতো আমাৰ নহয়। বাগিচাৰ মালিক বহি আছে বিদেশৰ কোনোবা চহৰত। আমাৰ মানুহক সিহঁতে পোক লগা চাউল খুৱাইছে, সেইবোৰ খাই বেমাৰত মানুহ মৰিছে। বোনাচৰ কাৰণে আন্দোলন কৰিলে পুলিচ লগায় আৰু সিহঁতে বিদেশত বহি বহি আমাৰ মূৰত কঁঠাল ভাঙি খাইছে। এই মালিকবিলাকক আমি খেদিব লাগিব। মজদুৰ বাগিচাৰ মালিক হ'ব। কিন্তু তাকে লৈ আমি যদি আন্দোলন- পিকেটিং কৰোঁ, কোনো লাভ নাই। পুলিচ চি আৰ পি লগাই সিহঁতে মানুহ মাৰিব। দিনজানৰ সেই সোপাতো আছেই। গতিকেই আমি বন্দুকেৰে যুঁজিম। স্বাধীনতা মানে

আমি কি বিচাৰিছোঁ তাৰ আৰু বহুত উদাহৰণ দিব পাৰিম। মই মাত্র তইঁতি নিজে জড়িত থকা উদাহৰণ এটা দিলো। আমাৰ সংগঠনত যোগ দিয়াৰ বাবে কাকো জোৰ কৰিব খোজা নাই। তইঁতি কথাটো ভাবি চা। মোক পিছত জনালেও হ'ব।

বিপিনে বোধকৰো কথাবোৰ ভাল নাপালে। বৰ ব্যস্ত যেন দেখুৱাই সি বাওঁ হাতৰ ঘড়ীটোলৈ চালে। তাৰ পিছত 'মই আহোঁদে, গণ সংগ্ৰামৰ জৰুৰী মজ এখন আছে' বুলি কৈ মাত লগাই গুচি গ'ল।

দিগন্ত আৰু কিছুসময় বহিল। গোহাঁই চাৰৰ কথাবোৰ তাৰ গাত লাগিছে। ইমান দিনে তাৰ মনত বিশৃঙ্খলভাৱে খেলা কৰি থকা কথাবিলাককে কোনোবাই যেন নিমিষৰ ভিতৰতে সজাই-পৰাই দিলে। গোহাঁই চাৰক সংগঠনৰ বিষয়ে খুটি- নাটি দুই- এটা সুধিলে। তাৰ পিছত সি এসপ্তাহ সময় ল'লে । এসপ্তাহ পিছত তাৰ সিদ্ধান্তৰ কথা জনাব।

আবেলি ঘৰলৈ আহি পোনে পোনে সি অঞ্জুহঁতৰ তালৈ গ'ল । অঞ্জুৱে চোতালত খৰি চপাই আছিল। সি তাইক সহায় কৰি দিলে। তাৰ পিছত পিৰা এখন টান মাৰি লৈ চোতালতে বহিল। অঞ্জুৱে ভিতৰৰ পৰা মূঢ়া এটা লৈ আহিল যদিও সি তাইকে বহিবলৈ দিলে। মাষ্টৰণী বহাদি অঞ্জু তাৰ সমুখত বহিল। চশমা এযোৰ হোৱাহেঁতেন তাইক আৰু মাষ্টৰণী মাষ্টৰণী যেন লাগিলহেঁতেন ।

কথাটো ভাবি দিগন্তই মনতে এবাৰ হাঁহিলে ।

সি তাইক আটাইখিনি কথা ক'লে । গোহাঁই চাৰে কোৱা প্ৰতিটো বাক্য, বিপিনৰ প্ৰতিক্ৰিয়া আৰু সংগঠনটোৰ বিষয়ে আগতে সি কলেজত শুনা দুই- এটা কথা । কিন্তু গোহাঁই চাৰৰ কথাবোৰ যে তাৰ খুউব ভাল লাগিছে , সি পোনতেই কৈ নিদিলে।

অঞ্জুৱে কিছু সময় নীৰৱে দূৰৈলৈ চাই থাকিলে। এবাৰ তাৰ পিনেও চালে। তাৰ পিছত সুধিলে, 'তই ঘৰ- পৰিয়াল সকলোকে এৰি থাকিব পাৰিবিনে ?'

দিগন্তৰ মাক আৰু ভনীয়েকলৈ মনত পৰিল। তাৰ পিছত সমুখত বহি থকা অঞ্জুজনীলৈ। আকৌ বাগিচাৰ লহপহীয়া চাহ গছবিলাকলৈ ।

সি মন বান্ধি ক'লে, পাৰিম!

শব্দটো উচ্চাৰণ কৰিয়েই সি অঞ্জুৰ মুখলৈ চালে। অপৰাধীৰ চাৱনিৰে তাইৰ মনটো জুখি চালে। তাইৰ বহুদিনীয়া সাঁচতীয়া সপোন এটা সি কাঢ়ি লৈ যোৱা নাইতো ?

অঞ্জুৰ মুখত কিন্তু কোনো প্ৰতিক্ৰিয়াই দেখিবলৈ পোৱা নগ'ল। ছোৱালীজনী তেনেকুৱাই ।

তাই আকৌ সুধিলে, 'তই মৰিবলৈ ভয় কৰিবি নেকি ?'

এইবাৰ দিগন্তই অকণো সময় নল'লে । সি তৎক্ষণাত উত্তৰ দিলে, নকৰোঁ ।

তাৰ পিছত তাই লাহে- ধীৰে ক'লে, সংগঠনটোৰ কথা ময়ো অলপ - অচৰপ শুনিছোঁ । বেয়া হ'ব নালাগে দেখোন । অন্ততঃ এইচব গণসংগ্ৰাম -তনগণসংগ্ৰামতকৈ ভাল হ'ব । পৰহি আমি এছ ডি চি অফিচত অনশন কৰিবলৈ গৈছিলোঁ । অনশন ভঙাৰ পিছত দেখোঁ মাকুমৰ সেই হনুমান আগৰৱালাটোৱে পেটটো লৰাই লৰাই আপেল কমলা বিলাব ধৰিছে । আৰু আমাৰ লীডাৰসোপাও তাৰ গাড়ীতে । ইহঁতে আৰু দুখীয়া মানুহৰ কাৰণে কি কৰিব ? চোৰাং বেপাৰীৰ লগ লাগি সোণৰ অসম গঢ়িবলৈ আহিছে । ইহঁতকেইটাৰ ওপৰত মোৰ একদম বিশ্বাস নাই । এই সংগঠনটো অৱশ্যে অলপ বেলেগ হ'ব যেন লাগে । তই কি কৰ, ভাবি চা । হুৰমূৰকৈ একো নকৰিবি ।

অঞ্জুহঁতৰ ঘৰৰ পৰা ওলাই আহোঁতে তাৰ মনটো যথেষ্ট মুকলি মুকলি যেন লাগিল। গোহাঁই চাৰৰ পৰা এসপ্তাহ সময় আচলতে সি এনেয়ে লৈছিল। নিৰ্মলাহঁতৰ চোতালতে সি ঠিক কৰিছিল যে সংগঠনত যোগ দিব। এতিয়া অঞ্জুৰ সৈতে কথা পাতি সংগঠনটোত যোগ দিয়াটো ফাইনেলেই কৰি পেলালে।

পুৰণি কথাবোৰ ভাবি ভাবি দিগন্তই কেতিয়ানো সেকেণ্ড ব্ৰিগেড সোমালহি , তৰ্কিবই নোৱাৰিলে। সৰু জুৰিটো জাপ মাৰি সি অসম ডাপত সোমাব খুজিছেহে মাত্ৰ, পিছদিনৰ পৰা হৰেনে চিঞৰ এটা মাৰি ক'লে, 'চি আন চি চাৰৰ ডব্লিউ টি আহিছে। আপোনাক বিচাৰিছে। ৰাজেনক কোনোবাই মাৰিলে। নলবাৰীত !'

ৰাজেন মৰিল ?

দৌৰ মাৰি দিগন্তই চিৰুঙৰ পিচপিনে থকা ডব্লিউ টি ডাপলৈ গ'ল।

গুৱাহাটী
সাতাইশ মাৰ্চ, ১৯৯১ চন

'এই মাৰুতী ফ্ৰন্ট ছিটবিলাক যে ইমান অসুবিধা – !'

বাওঁহাতেৰে গাড়ী পিছ পিনৰ দুৱাৰখন খুলিবলৈ গৈ দিগন্ত হঠাতে থমকি ৰ'ল।

মাৰুতী খনৰ ড্ৰাইভিং ছিটত থকা ৰিঙ্কু বোলা ছোৱালীজনীৰ মাত সেয়া। লগতে ভাঁহি আহিছে কেইটামান দুষ্ট হাঁহিৰ টুকুৰা।

চাওঁ - নাচাওঁকৈ দিগন্তই অস্বচ্ছ গ্লাছৰ মাজেদিয়ে গাড়ীৰ ভিতৰলৈ চাই পঠিয়ালে। বিদ্যুত বেগেৰে অহা খঙৰ এচমকা ভমকে তাৰ মূৰটো গৰম কৰি দিলে।

কাষৰ ছিটত বহি থকা ৰঞ্জিত বোলা ল'ৰাটোৱে হাউলি গৈ ছোৱালীজনীৰ শৰীৰৰ কোমল অংশবিলাক আপোন কৰি লোৱাৰ অপ্ৰাণ চেষ্টা কৰিছে। ৰিঙ্কু বোলা জনীয়েও সক্ৰিয়ভাৱে হালি দি তাক সহায় কৰিছে। অসুবিধাৰ সৃষ্টি কৰিছে মাত্ৰ ছিট দুটাৰ মাজৰ এহাতমান ব্যৱধানৰ খালি ঠাইখিনিয়ে।

সঁচাকৈয়ে মাৰুতীৰ ফ্ৰণ্ট ছিটকেইটা অকণো সুবিধাজনক নহয়।

দিগন্তই সিহঁতহালৰ পৰা দৃষ্টি ঘূৰাই আনি আলিবাটটোৰে দূৰলৈকে চাই পঠিয়ালে। বাহিৰত ঘোপমৰা অন্ধকাৰ। সিহঁতৰ পিছদিনে অলপ দূৰৈত এটা ষ্ট্ৰীট লাইট। ঢিমিক্ - ঢামাক্ পোহৰ বিলাই সমুখৰ পিনৰ পৰা এখন ৰিক্সা আহি আছে। আন কোনো সমাগম নাই ঠাই টুকৰাত। গাড়ীৰ ভিতৰত নিজৰ মাজতে মগন ল'ৰা - ছোৱালীহাল।

কথাবোৰ দেখোন একো মিলা নাই। সিনো বাৰু এইবোৰ ক'ত সোমাই পৰিছে ? তাকে ভাবি দিগন্তই অলপ চিন্তা কৰিলে। আপোনা - আপুনি তাৰ চকু আকৌ এবাৰ গাড়ীৰ ভিতৰলৈ গ'ল। ৰঞ্জিত বোলাটোৰ সক্ৰিয় হাত দুখন তাৰ দুডাল সাপৰ দৰে লাগিল।

এনেকৈ বাহিৰত কিমান পৰ ৰৈ থাকিম ? ইচ্ছকৃতভাৱেই সোঁ কান্ধটো লাহেকৈ লৰাই পিঠিত ওলমি থকা বেগটোৰে শব্দ এটা কৰিলে। যেনিবা অসাৱধানবশতঃ গাড়ীৰ দুৱাৰত বেগটো খুন্দা খাইহে শব্দটো হৈছে।

সামান্য শব্দ হোৱা মাত্ৰেই অতি সতৰ্ক সৈনিকৰ দৰে ৰঞ্জিতে তৎক্ষণাত দুৱাৰখন খুলি প্ৰায় জাপ মৰাদিয়ে ওলাই আহিল।

মহাশয় , আপোনাৰ হ'লনে ? আৰু কিবা লাগেজ আছিল নেকি ?

পৃথিৱীৰ আটাইতকৈ বিনয়ী যুৱকজনৰ নিচিনাকৈ সুৰ লগাই ৰঞ্জিতে সুধিলে ।

দিগন্তই কোনো উত্তৰ নিদিয়াকৈ দুৱাৰখন খুলি পিছৰ ছিটটোত বহিল । ইচ্ছা কৰিয়েই দুৱাৰখন অলপ জোৰেৰে শব্দ হোৱাকৈ মাৰি দিলে । তাৰ খং উঠাৰ কথাটো যেন শব্দটোৱেই বুজাই দিয়ক ।

ভিতৰত ৰিঙ্কুৱে তেতিয়া অন্ধকাৰতে ডিঙি মেলি মিৰ'ৰখনত চাই টিছু পেপাৰ এখনেৰে ওঁঠৰ লিপ্ ষ্টিক ঠিক কৰি আছিল । দিগন্তৰ পিনে চাই অলপ অপ্ৰস্তুতভাৱে হাঁহি এটা মাৰিলে । আপুনি বাৰু কিবা দেখিলে নেকি ? লাজকুৰীয়া হাঁহিটোত যেন ঠিক তেনেকুৱা এটা ইঙ্গিত । তাৰ পিছত তাই ষ্টিয়েৰিঙত হাত দুখন থৈ অলপ পিছপিনে হালি ধুনীয়া হাঁহি এটাৰে সুধিলে , আমি যাওঁনে এতিয়া ?

ব'লক । দিগন্তই কোনো প্ৰতিক্ৰিয়া নোহোৱাকৈ ক'লে ।

অলপ পিছতে গাড়ীখনে মিলনপুৰৰ অন্ধকাৰ গলিটোৰে কেউপিনে পোহৰ বিলাই তীব্ৰ গতিত ওলাই আহিল । দিগন্ত আজি ৰাতিপুৱা আহি গুৱাহাটী পাইছে । নাইট ছাৰ্ভিছত আহিছে মাৰ্ঘেৰিটাৰ পৰা । পাহাৰৰ পৰা নমা তাৰ মাত্ৰ দুসপ্তাহহে হৈছে । অসমলৈ উভতি আহিছে প্ৰায় চাৰে তিনি বছৰৰ মূৰত । বহু সলনি হ'ল এইকেইটা দিনতে । নতুন এখন অসমতহে যেন সি ভৰি দিছে । সংগঠনৰ ভিতৰতো সি আচহুৱা অনুভৱ কৰিবলৈ লৈছে । ল'ৰাবোৰ সলনি হৈছে , নে সিহে সলনি হৈছে ? একো ধৰিব পৰা নাই দিগন্তই । ভিতৰুৱা অঞ্চলৰ মানুহখিনিৰ সচেতনতা দেখি সি অভিভূত হৈছে । অথচ সংগঠন যেন ৰাইজৰ পৰা বিচ্ছিন্ন । যোৱা প্ৰায় দহদিনমান ধৰি সি খোজকাঢ়িয়ে গাঁৱে - ভূঞে ঘূৰিছে । সংগঠনৰ কাকো তেনেকৈ লগ নিদিয়াকৈ প্ৰথমতে নিজৰ চকুৰে পৰিস্থিতি এবাৰ চাই লোৱাৰ মন । পিছে যোৱাকালি গোহাঁই চাৰৰ মেছেজ আহিল । তাক মাতি পঠিয়াইছে । এইজন মানুহৰ ওপৰতে এতিয়াও তাৰ শ্ৰদ্ধা আৰু আস্থা আছে । গতিকে মেছেজ পায়েই সি গুচি আহিল । ক'লৈ যাবলগীয়া হ'ব, তাক একো জনোৱা হোৱা নাই । গুৱাহাটীত মাত্ৰ যোগাযোগৰ ঠিকনা এটা দিছে । তাৰ পৰা সময় - সুবিধা অনুসাৰে তাক গোহাঁই চাৰৰ ওচৰলৈ লৈ যোৱা হ'ব । তাতকৈ আৰু বেছি সি একো নাজানে । জনাৰ প্ৰয়োজনো বোধ কৰা নাই ।

ৰাতিপুৱা পল্টন বজাৰত নামিয়েই সি ৰিক্সা এখন লৈ মিলনপুৰলৈ আহিল । মিলনপুৰত চিনাকি মানুহ এঘৰ আছে । মানুহজন টঙনা গাঁৱৰ । কলেজিয়েট স্কুলত মাষ্টৰী কৰে । আগতে সংগঠনৰ কামত ঘূৰোতে জয়ন্তই চিনাকি কৰাই দিছিল । তেওঁলোকৰ ঘৰত সি কেইবাবাৰো থাকিও গৈছে ।

ইমান বছৰৰ মূৰত পাই মানুহঘৰে তাক লৈ প্ৰায় হুলুস্থূলেই লগালে । সৰু পৰিয়াল এটা । ছোৱালীজনী ক্লাছ ফাইভত । মানুহ ঘৰৰ আৰ্থিক অৱস্থা বৰ ভাল নহয় । সি থকা দিনকেইটাত সকলোতে কেৱল অভাৱেই দেখিলে , মৰম - চেনেহৰ বাহিৰে । মানুহজনৰ ব্যক্তিত্বৰ কিবা এটা আকৰ্ষণ আছে, যাৰ বাবে সি গুৱাহাটীলৈ আহিলে এবাৰ পাক মৰাটো প্ৰায় অভ্যাসৰ নিচিনাই হৈ পৰিছে ।

মানুহঘৰৰ তাতেই দিনটো থাকি সি তাক দি থোৱা ঠিকনাটোলৈ ওলাল । শিলপুখুৰীৰ ঠিকনা । চানমাৰি ফ্লাই অ'ভাৰৰ তলতে পুলিচ পিকেট এটা আছে বুলি গম পাই সি চিৰ্টিবাছেৰেই গ'ল ।

তাক দিয়া ঠিকনাটো আছিল ডাক্তৰ এজনৰ ঘৰ । সংগঠনৰ চিম্পেথাইজাৰ । আহল - বহল

এটা কম্পাউণ্ড। দিগন্তই গেট খুলি সোমাই আহি কলিং বেলত হাত দিবলৈ নাপাওঁতেই ডেকা ল'ৰা এজন ওলাই আহিল। আগতে কৈ ৰখা অনুসাৰেই সাঙ্কেতিক অৰ্থত সি তাৰ পৰিচয়টো দিলে। ল'ৰাজনে হাঁহি মুখে তাক আদৰণি জনাই ড্ৰইংৰুমলৈ নি ক'লে, অলপ বহক। মই আপুনি অহাৰ খবৰটো ফোন কৰি জনাই দিওঁ।'

তিনি মিনিটমান পিছত ল'ৰাজন ভিতৰৰ পৰা ওলাই আহি ক'লে , 'আপুনি আহিব বুলি তেওঁলোকে বাট চায়েই আছিল। এইমাত্ৰ পাবহি বুলি কৈছে।'

দিগন্তই 'হ'ব বাৰু' বুলি কৈ আলোচনী এখন হাতত লৈ পাত লুটিয়াই থাকিল।

আধা ঘণ্টামান পিছত ঘৰৰ সমুখত ৰঙা মাৰুতী এখন ৰ'লহি। জীনছ্ পিন্ধা ডেকা ল'ৰা এজন আৰু শাৰী পিন্ধা ছোৱালী এজনী নামি আহিল।

দুয়ো পোনেই ড্ৰইংৰুমটোলৈকে সোমাই আহিল। ডেকা ল'ৰাজনৰ চকু দুটা ৰঙা পৰিছে। মুখত ইলাচীৰ গোন্ধ।

দিগন্তক অভিবাদন জনাই সি ক'লে, 'মহাশয় আপোনাৰ ভালনে ? আহোঁতে বাটত একো অসুবিধা হোৱা নাই নিশ্চয়।'

'নাই, সকলো ঠিকে আছে।' দিগন্তই চুটিকৈ উত্তৰ দিলে। প্ৰথম দৃষ্টিতে ল'ৰাজনক তাৰ কিবা ভাল লগা নাই।

ল'ৰাজনে আকৌ ক'লে, 'চিনাকি দিছো দেই। মই ৰঞ্জিত হাজৰিকা। চেণ্ট্ৰেল কমিটিত আছোঁ। আৰু এয়া ৰিঙ্কু। ৰিঙ্কু বৰুৱা। কটনত পঢ়ে। আমাৰ চিম্পেথাইজাৰ।'

দিগন্তই নমস্কাৰ কৰিলে। ছোৱালীজনীয়েও চঞ্চল হাঁহি এটাৰে উত্তৰ দিলে। ধুনীয়া ছোৱালী। বয়স বোধকৰো ওঠৰ বছৰমান হ'ব। শৰীৰৰ প্ৰাকৃতিক ভাঁজবোৰ সুন্দৰভাৱে প্ৰদৰ্শনত শাৰীখনে যেন সহায়হে কৰিছে।

প্ৰথম পৰিচয়তে ছোৱালীজনীক ভনীয়েক হিচাপে ল'বলৈ ইচ্ছা কৰিও দিগন্তই অলপ ইতঃস্তত বোধ কৰিলে। ৰঞ্জিত বোলা ল'ৰাটোৱে ইচ্ছাকৃতভাৱেই যেন দিগন্তৰ পৰা কিছু আঁতৰত বহিল। তাৰ পিছত কৃত্ৰিম হাঁহি এটা মাৰি ক'লে, 'আজি মানে গোটাই দিনটো সংগঠনৰ কামতে ঘূৰি ফুৰিছোঁ। আপুনি আহিব বুলি আমি ৰাতিপুৱাই খবৰ পালোঁ। আপোনাৰ কথা বহুদিন ধৰি শুনি আছিলোঁ। লগ পাই বৰ ভাল লাগিল।'

দিগন্তই কোনো উত্তৰ দিয়াৰ প্ৰয়োজন নেদেখিলে। এনেয়ে মূৰটো দোঁৱাই সৌজন্য সূচক হাঁহি এটা মাৰিলে।

ল'ৰাজনে আকৌ মাত লগালে, 'গোহাঁই চাৰৰ তালৈ আপুনি পিছে দুদিনমান পিছতহে যাব পাৰিব। এইকেইদিন মানে চিলং ৰাস্তাত চেকিং খুউব হৈছে। আপুনি কিন্তু চিন্তা নকৰিব। আমি ভাল চেল্টাৰৰ ব্যৱস্থা কৰি থৈছোঁ। আপোনাৰ অকণো অসুবিধা নহয়। আমি তেনেহ'লে তালৈকে যাওঁ ব'লক।

এইবুলি কৈয়ে দুয়ো উঠিল। দিগন্তই তাৰ কাপোৰখিনি মিলনপুৰতে থৈ অহা বুলি ক'লে। গতিকে মিলনপুৰ হৈ যোৱাৰ সিদ্ধান্ত লোৱা হ'ল।

সুন্দৰ এক সুবাসে গাড়ীখনত সিহঁতক আদৰণি জনালে। ছোৱালীজনীয়েই ড্ৰাইভ কৰিলে। দিগন্তৰ পুৰণি দিনবিলাকলৈ মনত পৰিল। তেতিয়া সংগঠনৰ গ্লেমাৰ বুলিবলৈ একো নাছিল।

গতিকে গুৱাহাটীত চিম্পেথাইজাৰো তেনেকৈ বিচাৰি পোৱা টান আছিল । কোনোবাই নিজৰ গাড়ী নিজে ড্ৰাইভ কৰি সহায় কৰাটোতো দূৰৈৰ কথা । এতিয়া পৰিস্থিতি বহুত ভাল হ'ল ।

'ভাল' শব্দটো দিগন্তই মনতে আকৌ এবাৰ পাগুলিয়ালে ।

মিলনপুৰৰ এঠাইত সি ছোৱালীজনীক গাড়ীখন ৰখাবলৈ ক'লে । বৰুৱা মাষ্টৰৰ ঘৰটো আইনক দেখুৱাই দিয়াটো উচিত নহ'ব বুলি ভাবিলে । কিছু আঁতৰত গাড়ীখন ৰখাই সিহঁতক তাতেই বহি থাকিবলৈ দি অতি সতৰ্কভাৱেৰে দিগন্তই নামি গ'ল ।

পোন্ধৰ মিনিটমান পিছত সি কান্ধত সৰু বেগটো লৈ হাজিৰ । গাড়ীৰ ভিতৰত আৱিষ্কাৰ কৰিলে দুটি আদিম প্ৰাণী ।

গাড়ীৰ ভিতৰত পৰিস্থিতি সহজ কৰিবলৈকে ৰঞ্জিতে দুই - এটা কথা কৈ আহিছে । দিগন্তই তাত ভাগ লোৱাৰ কোনো আগ্ৰহ নেদেখুৱাই প্ৰয়োজন হ'লেহে হাঁ , না উত্তৰ দি গৈছে । অলপ পিছতে চানমাৰী ফ্লাই অ'ভাৰৰ তলত পুলিচ পিকেটটোৱে সিহঁতৰ গাড়ীখন ৰখালে । কাৰ্বাইন লোৱা বি এছ এফৰ তিনিজন জোৱান । লগত অসম পুলিচৰ হাবিলদাৰ এজন ।

ৰিঙ্কুৱে অতি সুন্দৰভাৱে পৰিস্থিতি চম্ভালিলে । ৰঞ্জিতৰ পিনে হালি দুৱাৰখনৰ আধা গ্লাছ নমালে । তাৰ পিছত মোহনীয় হাঁহি এটা মাৰি হাবিলদাৰজনক সুধিলে , 'কাগজ - পাতি কিবা চাব নেকি ?'

ড্ৰিইভিং ছিটত ছোৱালী এজনী দেখি হাবিলদাৰজনে মৰাৰ নিচিনাকৈয়ে ক'লে, 'দিন - কাল দেখিছেই নহয় । বন্দুক - চন্দুক একো নাইতো ? যাওক , যাওক ।'

ৰিঙ্কুৱে গ্লাছখন পুনৰ উঠাই দি গীয়েৰ চেঞ্জ কৰিলে । তাৰ পিছত এক্সিলাৰেটৰ ডবাই দি ডাঙৰ দুৰ্ঘটনা এটাৰ পৰা বচাই দিয়াৰ গৌৰৱেৰে ক'লে, 'ৰক্ষা পৰিলোঁ দেই !'

ৰঞ্জিতেও উজান দি ক'লে, 'মইতো প্ৰথমতে ভয়েই খাইছিলোঁ । তুমি কিন্তু বৰ ধুনীয়াকৈ মেনেজ কৰিলা ।' সুবিধা পাই ৰঞ্জিতে দিগন্তক শুনোৱাদি আকৌ অলপ ডাঙৰকৈ ক'লে, 'ছোৱালী লগত থাকিলে এইটোৱে সুবিধা ।'

অলপ আগতে সিহঁতৰ অসংযত মুহূৰ্তবিলাকৰ ন্যায্যতাও যেন সি প্ৰমাণ কৰিব বিচাৰিছে ।

তাৰ পিছত সি সুৰ লগাই ক'লে, 'বেচেৰী ৰিঙ্কুকহে আমি যথেষ্ট কষ্ট দিছোঁ ।'

'নাই , নাই ।' ৰিঙ্কুৱে ফ্লাই অ'ভাৰৰ টাৰ্নিংটো লৈ থাকোতেই প্ৰতিবাদ কৰিলে , 'একো অসুবিধা হোৱা নাই । ৰিভ'লিউচনতো সকলোৱেই চেক্ৰিফাইচ কৰিব লাগিব । নহয় জনো ?'

এইবুলি কৈ তাই ৰীয়াৰ মিৰ'ৰখনত দিগন্তলৈ চালে ।

দিগন্তই শুকান হাঁহি এটা মাৰিলে ।

অলপ পিছত সিহঁতৰ গাড়ীখন জু - নাৰেঙ্গী ৰোডৰ প্ৰকাণ্ড ঘৰ এটাৰ সমুখত মন্থৰ হৈ গ'ল । গেটখন খোলাই আছিল । ছোৱালীজনীয়ে গাড়ীখন একেবাৰে ভিতৰলৈকে সুমুৱাই লৈ গ'ল ।

তিনিও গাড়ীৰ পৰা নামিল । ছোৱালীজনীয়ে দিগন্তৰ পিনে আগবাঢ়ি আহি হাত এখন আগুৱাই দি ক'লে, 'আহক । এইটোৱে আমাৰ ঘৰ আৰু দুদিনৰ কাৰণে আপোনাৰ চেল্টাৰ !'

দিগন্তই চাৰিওপিনে এবাৰ চালে । নতুনকৈ সজা এটা ধুনীয়া ঘৰ । সমুখত এখন ডাঙৰ লন্ । ভিতৰৰ পিনে সেউজীয়া ৰঙৰ জিপছী  এখন পাৰ্ক কৰি থোৱা আছে । ঘৰৰ পৰা হাঁহি - ফুৰ্তিৰ শব্দ ভাহি আহিছে ।

ৰঞ্জিতে তাক ভিতৰলৈ আগবঢ়াই লৈ গ'ল । বাৰাণ্ডা এখন পাৰ হৈ সিহঁতে খটখটিয়েদি ওপৰলৈ উঠি গ'ল । জীনছ পিন্ধা ডেকা ল'ৰা এজনে ওপৰৰ বাৰাণ্ডাত পায়চাৰি কৰি আছিল । তালৈ পিছে কোনেও ভ্ৰুক্ষেপেই নকৰিলে । ছোৱালীজনীয়ে ড্ৰইংৰুমৰ দুৱাৰখন খুলি ধৰিলে ।

ভিতৰ সোমাই দিগন্ত হতবাক । সৰুতে হিন্দী চিনেমাত দেখাৰ নিচিনা ধুনীয়া প্ৰকাণ্ড ড্ৰইংৰুম । ইমূৰৰ পৰা সিমূৰলৈকে দামী কাৰ্পেট পৰা আছে । লাইটৰ মৃদু আভা । একেবাৰে কোমল ভলিউমত মিউজিক বাজি আছে । যেনিবা এখন ৰম্যপুৰীহে । প্ৰকাণ্ড ছোফাকেইখনত চাৰিজন ল'ৰা অলসভাৱে বহি আছে । তাৰে এজনক দিগন্তই চিনি পালে । দেৱাশীষ বৈশ্য । সিহঁতৰ লগত একেলগে কাচিনলৈ গৈছিল । যোৱাৰ সময়ত খুউব ডাঙৰ ডাঙৰ কথা । ট্ৰেইনিঙৰ বেলিকা কিন্তু সদায়ে অসুখ হোৱাৰ ভাও । সদায় একেটা কমপ্লেইন শুনি থাকি আমনি লাগি দিগন্তই তাক ঘূৰাই পঠিয়াইছিল ।

বাকীকেইটা ল'ৰাক সি চিনি নাপালে । সিহঁতকেইটাৰ লগতে হাঁহি - ধেমালি কৰি বহি আছে মহিলা এগৰাকী । ঘৰুৱা সাজ । কিন্তু তাকো তেখেতে আকৰ্ষণীয়কৈ পিন্ধিছে । ৰঙা শ্লীভলেছ ব্লাউজটোৱে নিজ দায়িত্ব বেপৰোৱাভাৱে অস্বীকাৰ কৰিছে । জীঞা পাখিৰ দৰে স্বচ্ছ চাদৰখনো ইমান চঞ্চল যে , মানুহগৰাকীলৈ চালেই চকু যায় দেহাৰ অৰ্দ্ধ - উন্মুক্ত ৰেখাবোৰলৈ । মানুহগৰাকীৰ বয়স বোধকৰো চল্লিশ বছৰমান হ'ব । কিন্তু চাল - চলন আৰু পিন্ধন - উৰণে দহটা বছৰ যেন আয়াসতে কমাই দিছে ।

দিগন্ত সোমাই অহাৰ লগে লগে ল'ৰা চাৰিটাই ঘপহ্ কৰে উঠি তাক অভিবাদন জনালে । মানুহগৰাকীয়ে বহাৰ পৰাই ধুনীয়া হাঁহি এটা মাৰিলে ।

হাঁহিটো দিগন্তৰ মাতৃসুলভ যেনো নালাগিল , ভগ্নীসুলভ যেনো নালাগিল ।

ৰঞ্জিতে পোনতেই গৈ মিউজিক চিষ্টেমটো অফ্ খৰি দিলে । টিউব লাইট কেইটা জ্বলাই দিলে । তাৰ পিছত ঘৰুৱা হাঁহি এটা মাৰি দিগন্তলৈ চাই ক'লে, 'চিনাকি কৰাই দিছোঁ দেই । দেৱাশীষকতো আপুনি চিনি পায়েই । এয়া অপূৰ্ব, পঙ্কজ আৰু জ্যোতি । আমাৰ প্ৰচাৰ বিভাগত আছে ।'

এইবাৰ সি মানুহগৰাকীৰ ওচৰ চাপি ক'লে, 'আৰু এয়া আমাৰ বিন্দু বাইদেউ । ৰিঙ্কুৰ মাক আৰু আমাৰ ফ্ৰেণ্ড, ফিলছ'ফাৰ, গাইড্ ।'

দিগন্তই নম্ৰভাৱে নমস্কাৰ কৰিলে ।

তাৰ পিছত গোটেই চিটুৰেচন বিন্দু বাইদেৱে নিজৰ আয়ত্তলৈ আনিলে । প্ৰথম পৰিচয়ৰ আন্তৰিকতা কিমান হোৱা উচিত, তাৰ চয় - নিশ্চয় কৰিব নোৱাৰি যেন মানুহগৰাকীয়ে দিগন্তৰ ওচৰ চাপি, আকৌ অলপ আঁতৰি গৈ একেখন চোফাতে বহিল । তেখেতৰ গাৰ পৰা সুন্দৰ সুবাস এটা আহি দিগন্তক আমনি কৰিলে ।

এওঁলোকৰ ঘৰতে তাক দুদিন চেল্টাৰ লোৱাৰ কথা কৈছে ৰঞ্জিতে । কিন্তু ঘৰৰ গৃহিণীগৰাকীকে সি কেনে সম্পৰ্কৰে ল'ব, তাকেই ঠাৱৰ কৰিব নোৱাৰিলে ।

নীৰৱতা বোধকৰো বিন্দু বাইদেৱে একেবাৰেই ভাল নাপায় । পৰিবেশটো আৰু ঘৰুৱা কৰিবৰ বাবে তেখেতে মৰম লগাকৈ দিগন্তৰ পিনে চাই ক'লে, 'তুমি আহিবা বুলি আমি দুপৰীয়াৰে পৰা ৱেইট কৰি আছিলোঁ জানা । আমি আকৌ একেলগে লাঞ্চ কৰিম বুলিয়ে ভাবিছিলোঁ । আমাক কিন্তু একেবাৰে নিজৰ হিচাপে ল'বা দেই । ইহঁত আটাইকেইটাতো একেবাৰে আমাৰ ফেমেলি মেম্বাৰৰ নিচিনা । ইহঁতৰ চেল্টাৰো এইটো, সংগঠনৰ কাৰ্যালয়ো এইটো । সমৰ নিয়ন্ত্ৰণ কক্ষৰ প্ৰেছ ৰিলিজ আমাৰ ৰিঙ্কুৱেহে টাইপ কৰে ।'

দিগন্তই সৌজন্যসূচকভাৱে ৰিঙ্কুলৈ চালে । তাই গৌৰৱৰ অথচ লাজকুৰীয়া হাঁহি এটা মাৰি ক'লে, 'এছামীজ টাইপত মোৰ স্পীড কিন্তু খুউব কম । জ্যোতিয়ে হেল্প কৰি দিয়ে ।'

তাৰ পিছত কিছু সময় মৌনতাই কিনি ল'লে ।

সমুখৰ ছোফাখনত বহি পঙ্কজ বোলাটোৱে বাতৰি কাকত এখন পঢ়ি আছিল । অলপ পিছত কাকতখন ওচৰৰ টিপ'য়খনত থেকেচা মাৰি থৈ সকলোৱে শুনাকৈ তৃতীয় পুৰুষত ক'লে, এই বিমান হাজৰিকাটোৰ বৰ তেল ফাটিছে । দিনটো দিছপুৰত দালালি কৰিব আৰু আমাৰ এগেইনষ্টত যি পায় এডিটৰিয়েল লিখিব । ইয়াক আমি সেই তেতিয়াই খতম্ কৰিব লাগিছিল ।

ৰঞ্জিতে অলপ বিজ্ঞৰ নিচিনাকৈ কথাৰ আঁত ধৰিলে, 'এনেকৈ মাৰিলেই সমস্যাৰ শেষ নহয় । দালাল এটাক মাৰিলে তাক ছহিদ হ'বলৈ সুবিধা কৰি দিয়াৰ নিচিনাহে হ'ব । গিৰীণ বৰবৰাৰ কেছটোৱে দেখা নাই জানো ? তাক মাৰোতেও সাংবাদিকবিলাকে কম হুলস্থূল লগালেনে ? বিন্দু বাইদেউ, আপুনিয়ে এবাৰ বিমান হাজৰিকাক লগ ধৰি অলপ বুজাব পাৰে দেখোন ।'

শেষৰ বাক্যটো বিন্দু বাইদেউক উদ্দেশ্যি শেষ কৰি উঠিয়েই ৰঞ্জিতে আকৌ দিগন্তৰ পিনে চাই বাখ্যাৰ সুৰত ক'লে, 'বাইদেউ মানে মাজে - সময়ে আমাৰ প্ৰেছ লিয়াঁজ'ৰ কামো কৰে । বহুত এডিটৰৰ লগত বাইদেউৰ ভাল সম্পৰ্ক ।'

বিন্দু বাইদেৱে তেখেতৰ গাত পৰা গধুৰ দায়িত্বৰ ইমপ্ৰেছন এটা ক্ৰিয়েট কৰি প্ৰায় আশ্বাসৰ সুৰতে ক'লে, 'কাইলৈ ব্ৰহ্মপুত্ৰত এডভাইজাৰৰ পাৰ্টিত তেওঁক লগ পাম নহয় । তাতেই কথাটো উলিয়াম ৰ'ৱা । মই ভালকৈ ক'লে তেওঁ নিশ্চয় বুজিব । হাজৰিকাতো আগতে আমাৰ ঘৰলৈ সন্ধিয়া প্ৰায়েই আহিছিল ।' তেখেতৰ কথাত দিগন্তনো কিমান ইম্প্ৰেছড্ হৈছে, সেইটো বাইদেৱে এবাৰ বেঁকা চাৱনিৰে চালে । দিগন্তই কোনো প্ৰতিক্ৰিয়া নোহোৱাকৈ চিলিঙৰ ফেনখনলৈ চাই আছিল ।

........
........
........